**Q. No. 1.** What do you mean by Balance of power? Discuss the various methods of Balance of power.

**Answer :- Introduction :-**

ক্ষমতাৰ ভাৰসাম্য বুলিলে আমি ইয়াকে বুজিব লাগিব যে বিশ্বৰ ৰাষ্ট্ৰবিলাকৰ প্ৰত্যেকৰে নিজা নিজা স্বাৰ্থক লৈ ৰাষ্ট্ৰবিলাকৰ মাজত সংঘৰ্ষ হোৱা পৰিলক্ষিত হয় এনে সংঘৰ্ষই বিশ্ব শান্তি আৰু নিৰাপত্তা বিঘ্নিত কৰে। এনে পৰিস্থিতিত বিশ্ব শান্তি আৰু নিৰাপত্তা ঘূৰাই অনাৰ বাবে ক্ষমতাৰ তুলনামূলক পৰিমাপৰ ওপৰত ভিত্তি কৰি যি ভাৰসাম্যৰ সৃষ্টি কৰা হয় তাকে বুজোৱা হয়। ক্ষমতাৰ ভাৰসাম্য থাকিলে কোনো ৰাষ্ট্ৰই অধিক শক্তিশালী হৈ আন ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন কৰিব নোৱাৰে।

সেয়েহে পালমাৰ আৰু পাৰকিন্স নামৰ দুজন লেখকে ক্ষমতাৰ ভাৰসাম্যক আন্তৰ্ৰাষ্ট্ৰীয় সম্পৰ্কৰ এক মূল নীতি বুলি অভিহিত কৰিছে।

ক্ষমতাৰ ভাৰসাম্য সদায় একে অৱস্থাত পোৱা নাযায় সময়ৰ লগে লগে ভাৰসাম্যৰো পৰিৱৰ্তন সাধন হয়। যাৰ বাবে ৰাষ্ট্ৰবিলাকে ক্ষমতাৰ ভাৰসাম্যৰ ৰক্ষাৰ্থে কিছুমান উপায় অৱলম্বন কৰিব লাগে। সেই উপায় সমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি ——

### ① মৈত্ৰী (Alliance) :-

বৰ্তমান বিশ্বত প্ৰত্যেকখন ৰাষ্ট্ৰই নিজৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব অটুট ৰাখিবলৈ সামৰিক দিশত প্ৰতিযোগিতা কৰিব লগীয়া হয়। এনে প্ৰতিযোগিতাৰ ফলত এখন ৰাষ্ট্ৰ আন এখন

ৰাষ্ট্ৰটোক অধিক শক্তিশালী হোৱা দেখা যায়। এই শক্তিশালী ৰাষ্ট্ৰৰ ক্ষমতাক প্ৰতিষ্ঠিত কৰিবৰ নিমিত্তে কেইবা-খনো দুৰ্বল ৰাষ্ট্ৰ লগলাগি বন্ধুত্ব স্থাপনৰ জৰিয়তে ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ কৰা প্ৰচেষ্টাক মৈত্ৰী বুলি কোৱা হয়।

## (ii) অস্ত্ৰীকৰণ (Armaments):-

ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ আন এক উপায় হ'ল অস্ত্ৰীকৰণ। ৰাষ্ট্ৰবিলাকৰ নিৰাপত্তাৰ কাৰণে সামৰিক দিশত প্ৰতিযোগিতা হোৱা পৰিলক্ষিত হয়। যেনেকৈ কোনো এখন দেশে নিজৰ নিৰাপত্তাৰ কাৰণে অস্ত্ৰ-শস্ত্ৰ বৃদ্ধি কৰিলে চুবুৰীয়া দেশ এখনেও সমানে অস্ত্ৰ-শস্ত্ৰ বৃদ্ধি কৰিবলৈ ধৰে। উদাহৰণস্বৰূপে ভাৰত আৰু পাকিস্তানৰ কথা উনুকিয়াব পাৰি

## (iii) নিৰস্ত্ৰীকৰণ (Disarmaments):-

ক্ষমতাৰ ভাৰসাম্যতাৰ আন এক উল্লেখযোগ্য উপায় হ'ল নিৰস্ত্ৰীকৰণ। অস্ত্ৰীকৰণৰ বিপৰীতে নিৰস্ত্ৰীকৰণৰ দ্বাৰাও ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষা কৰিব পাৰি। দুই বা ততোধিক শক্তিশালী ৰাষ্ট্ৰই অস্ত্ৰ সীমিতকৰণ নীতি অনুসৰণ কৰি ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰে। উদাহৰণস্বৰূপে- আমেৰিকা আৰু সোভিয়েট ৰাছিয়াৰ কথা কব পাৰি। কিয়নো এই দুখন ৰাষ্ট্ৰই শেহতীয়াকৈ নিৰস্ত্ৰীকৰণ চুক্তিত আবদ্ধ হৈ মধ্যম দূৰত্বগামী বহুতো ক্ষেপনাস্ত্ৰ ধ্বংস কৰিবলৈ

অনুমতি দিছিল।

(iv) অন্তঃস্থ অঞ্চল (Buffer State):-

অন্তঃস্থ অঞ্চল গঠি তুলিও ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি। দুখন বৃহৎ ৰাষ্ট্ৰৰ মাজত এখন সৰু ৰাষ্ট্ৰ থাকিলেও বৃহৎ ৰাষ্ট্ৰ দুখনৰ ক্ষমতাৰ ভাৰসাম্য থাকিব লাগে। কিয়নো এখন বৃহৎ ৰাষ্ট্ৰ বেছি শক্তিশালী হ'লে ক্ষমতাৰ ভাৰসাম্য বিনষ্ট হ'ব আৰু সৰু ৰাষ্ট্ৰখন বৃহৎ ৰাষ্ট্ৰৰ দ্বাৰা যিকোনো মুহূৰ্তত আক্ৰমণৰ বলি হ'ব পাৰে। গতিকে সৰু ৰাষ্ট্ৰখনে ক্ষমতাৰ ভাৰসাম্যৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে আমি ভাৰত, নেপাল আৰু চীন দেশৰ কথা ক'ব পাৰি।

(v) বিভাজনমূলক নীতি (Devide and rule policy)

বিভাজনমূলক নীতি গ্ৰহণ কৰিও ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি। কেইবাখনো ৰাষ্ট্ৰৰ মাজত ক্ষমতাকলৈ প্ৰতিযোগিতা হ'লে বৃহৎ শক্তি প্ৰতিপন্ন হোৱা ৰাষ্ট্ৰক আন ৰাষ্ট্ৰবিলাকে আঁতৰাই ৰাখি ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰে। উদাহৰণস্বৰূপে — এটা সময়ত ফ্ৰান্সে বিভাজনমূলক নীতি আহৰণ কৰি জাৰ্মানীক দুৰ্বল কৰিবলৈ চেষ্টা কৰিছিল।

(vi) ক্ষতিপূৰণ (Compensation):-

যদি দুখন বা ততোধিক শক্তিশালী ৰাষ্ট্ৰৰ ভিতৰত কোনোবা এখন ৰাষ্ট্ৰই কোনোবা দুৰ্বল ৰাষ্ট্ৰক

আক্ৰমণ কৰি তাৰ ধন জন অধিকাৰ কৰে, তেতিয়া ক্ষমতাৰ ভাৰসাম্যতা বিনষ্ট হয়। গতিকে তেনে অৱস্থাত প্ৰতিদ্বন্দ্বি শক্তিশালী ৰাষ্ট্ৰই মিলোনো উপায়েৰে আন কোনো অঞ্চল দখল কৰি ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰে। এই ক্ষেত্ৰত ভাৰচাই চুক্তিৰ কথা উল্লেখ কৰিব পাৰি। কিয়নো এই চুক্তিৰ অধীনত প্ৰথমে ক্ষতিপূৰণ হিচাপে জাৰ্মানীত বহুতো অঞ্চল নিজৰ আৰু ইউৰোপৰ বিভিন্ন দেশৰ মাজত ভগাই লৈছিল।

(vii) হস্তক্ষেপ (Intervention):-

ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰাৰ আন এক উপায় হ'ল হস্তক্ষেপ। শক্তিশালী ৰাষ্ট্ৰবোৰে দুৰ্বল ৰাষ্ট্ৰবোৰৰ ঘৰুৱা বিষয়ত হস্তক্ষেপ কৰিও ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰা দেখা যায়। উদাহৰণস্বৰূপে- আমেৰিকাই লেটিন আমেৰিকাৰ দেশবিলাকৰ আভ্যন্তৰীন বিষয়ত হস্তক্ষেপ কৰি দেশ বিলাকক বাহিৰা শক্তিৰ প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিছিল। ঠিক সেইদৰে 1956 চনত ছোভিয়েট ৰাছিয়াই হাংগেৰীত আভ্যন্তৰিক হস্তক্ষেপ কৰি ৰাষ্ট্ৰখনক কমিউনিষ্টৰ প্ৰভাৱৰ কবলত ৰাখিবলৈ সক্ষম হৈছিল।

(viii) খণ্ডিতকৰণ (Partition):-

খণ্ডিতকৰণৰ জৰিয়তেও ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি। এই ব্যৱস্থাত সাধাৰণতে কিছুমান বৃহৎ ৰাষ্ট্ৰই কিছুমান ৰাষ্ট্ৰক খণ্ড খণ্ডকৈ বিভাজন কৰি পুনৰ শক্তিশালী

হব নোৱাৰাৰ পৰিস্থিতিৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে- পোলেণ্ডৰ কথা উল্লেখ কৰিব পাৰি। পোলেণ্ডক এটা সময়ত ৰাছিয়া, প্ৰুছিয়া আৰু অষ্ট্ৰিয়া এই তিনিটা অংশত বিভক্ত কৰা হৈছিল।

(ix) নিৰপেক্ষতা (Neutralisation):-

ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ আন এক উপায় হ'ল নিৰপেক্ষতা কোনো দুখন শক্তিশালী ৰাষ্ট্ৰৰ মাজত এখন দুৰ্বল ৰাষ্ট্ৰ থাকিলে সেই ৰাষ্ট্ৰই নিৰপেক্ষতা অৱলম্বন কৰি ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰে, কিন্তু তেনে স্থলত শক্তিশালী ৰাষ্ট্ৰ দুখনে এই ৰাষ্ট্ৰক আক্ৰমণ আৰু আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰাৰ আশ্বাস প্ৰদান কৰিব লাগে।

Conclusion:-

সামৰণিত আমি কব পাৰো যে ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ কাৰণে বিভিন্ন ধৰণৰ উপায় অৱলম্বন কৰা দেখা যায়। সময় আৰু পৰিস্থিতি সাপেক্ষে উপায় বিলাকৰ পৰিবৰ্তন হোৱাও দেখা যায়। যেনেকৈ এটা সময়ত অস্ত্ৰীকৰণ আৰু আনটো সময়ত নিৰস্ত্ৰীকৰণ ঠিক তেনেকৈ এটা পৰিস্থিতিত মৈত্ৰী আনটো পৰিস্থিতিত খণ্ডিতকৰণৰ জৰিয়তে ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি।

—— x ——

# Balance of power

**Q.NO.2** What do you mean by Balance of power? Discuss its main features or charecterstic.

**Answer** :- 2nd part

ক্ষমতাৰ ভাৰসাম্য নীতিৰ বিৱৰণ এটি বহল প্ৰকৃতিৰ বিৱৰণ। ইয়াক বিশ্লেষণ কৰিলে ইয়াৰ কিছুমান বিশেষ বৈশিষ্ট্য আমাৰ দৃষ্টিগোচৰ হয়। সেইবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

(i) ক্ষমতাৰ ভাৰসাম্যই প্ৰকাশ কৰিব বিচাৰে যে যদি কিছুমান ৰাষ্ট্ৰৰ হাতত অধিক ক্ষমতা থাকে তেন্তে আন কিছুমান ৰাষ্ট্ৰৰ ভীতিৰ কাৰণেই এক সংকট হ'ব পাৰে। গতিকে আন কিছুমান ৰাষ্ট্ৰইও এই ৰাষ্ট্ৰ বিলাকৰ সমপৰ্যায়ত অহাৰ কাৰণে প্ৰয়াস চলায়।

(ii) ক্ষমতাৰ ভাৰসাম্যৰ আন এক বৈশিষ্ট্য হ'ল ই পূৰ্বাৱস্থা বাহাল ৰখাৰ ওপৰত গুৰুত্ব দিয়ে, কিন্তু ক্ষমতাৰ ভাৰসাম্য স্থিতিশীল নহয় ই গতিশীলহে।

(iii) ক্ষমতাৰ ভাৰসাম্যৰ আন এক বৈশিষ্ট্য হ'ল ই ৰাষ্ট্ৰবিলাকৰ সম্পৰ্কৰ ক্ষেত্ৰত সদায় ক্ষমতাৰ সমতাক প্ৰতিষ্ঠিত কৰিব বিচাৰে। কিয়নো ক্ষমতাৰ সমতা নোহোৱাকৈ ক্ষমতাৰ ভাৰসাম্য সৃষ্টি হ'ব নোৱাৰে।

(iv) ক্ষমতাৰ ভাৰসাম্য সাধাৰণতে ৰাষ্ট্ৰবিলাকৰ

আক্ৰমণ হস্তক্ষেপৰ ফলত্বহে লাভ কৰিব পাৰি। যদি কোনো ৰাষ্ট্ৰই নিজৰ অস্তিত্ব বজাই ৰাখিব খোজে তেন্তে যুদ্ধ কৰি হলেও ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ বাবে যত্নপৰ হব লাগে।

(v) আন এক বৈশিষ্ট্য হ'ল ৰাষ্ট্ৰ বিলাকৰ পাৰস্পৰিক ক্ষমতাৰ স্থিতি অনুমান কৰিব পাৰি, যাৰ ফলশ্ৰুতিত বিশ্বৰ শক্তি সমূহৰ মাজত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি

(vi) ক্ষমতাৰ ভাৰসাম্যত কেৱল বৃহৎ শক্তি গোষ্ঠীবোৰে বিশেষ ভূমিকা গ্ৰহণ দেখা যায় কিন্তু দুৰ্বল ক্ষুদ্ৰ ৰাষ্ট্ৰ বিলাকে কেৱল সাধাৰণ দৰ্শকৰ ভূমিকা পালন কৰিব লাগে।

(vii) ক্ষমতাৰ ভাৰসাম্য সাৰ্বজনীন। ই বাচনি কৰা বিষয় নহয়। কিন্তু ইয়াক স্বাভাৱিকতে ৰাষ্ট্ৰবিলাকৰ প্ৰতিযোগিতাৰ মাজত নিৰ্ধাৰণ কৰা হয়। ক্ষমতাৰ ভাৰসাম্য প্ৰাকৃতিক আৰু অৰ্দ্ধস্বয়ংক্ৰিয়। যেয়েহে ৰাষ্ট্ৰ বিলাকে স্বাভাৱিকতে ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ বাধ্য।

(viii) ক্ষমতাৰ ভাৰসাম্যৰ আন এক বৈশিষ্ট্য হৈছে ইয়াক শান্তি প্ৰতিষ্ঠাৰ উপায় বুলি অভিহিত কৰিব পাৰি। অৱশ্যে কিছুমান চিন্তাবিদে ইয়াক নাকচ কৰি কয় যে ক্ষমতাৰ ভাৰসাম্যৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰবিলাকৰ ক্ষমতা সুৰক্ষা কৰাহে, শান্তি প্ৰতিষ্ঠা কৰাটো নহয়।

# Balance of power

(ix) ক্ষমতাৰ ভাৰসাম্যৰ আন এক বৈশিষ্ট্য হৈছে মিত্ৰৰ ৰাষ্ট্ৰই ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব বিচাৰে তেওঁলোকে প্ৰকৃততে ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ বিপৰীতে নিজৰ ক্ষমতাকহে বৃদ্ধি হোৱাটো বাস্তৱ কৰে

## Conclusion :-

ক্ষমতাৰ ভাৰসাম্যৰ বৈশিষ্ট্যসমূহ আলোচনাৰ অন্তত আমি কব পাৰো যে ক্ষমতাৰ ভাৰসাম্যৰ জৰিয়তে পৃথিৱীৰ শক্তিশালী ৰাষ্ট্ৰবিলাকে ক্ষমতাৰ ভাৰসাম্যক প্ৰতিপন্ন কৰিবৰ প্ৰচেষ্টা কৰা হয়। এই ভাৰসাম্যতা অবিহনে পৃথিৱীত সঘনাই যুদ্ধ সদৃশ পৰিস্থিতিৰ সৃষ্টি হব পাৰে। সেয়েহে ক্ষমতাৰ ভাৰসাম্য বিশ্ব শান্তি প্ৰতিষ্ঠাৰ বাবে অতি জৰুৰী বুলি উল্লেখ কৰিব পাৰি।

— x —

Q. No. 3 Discuss the main paterns of balance of power? How far has Balance of power Being effective to preserve international peace and Security.

Answer:- Introduction:-

ক্ষমতাৰ ভাৰসাম্যক পৰিস্থিতি আৰু ৰাষ্ট্ৰ বিলাকৰ ওপৰত নিৰ্ভৰ কৰি বিশেষকৈ দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰি। সেই দুটা হ'ল —

(i) সৰ্বসৰল ক্ষমতাৰ ভাৰসাম্য আৰু

(ii) বহুত্ব বা জটিল ক্ষমতাৰ ভাৰসাম্য।

ক্ষমতাৰ ভাৰসাম্যই আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰে বুলি কব পাৰি। সেই বিষয়ে তলত দিয়া বিবৰণ উল্লেখ কৰিব পাৰি —

(i) বিশ্ব শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা কৰা:-

বিশ্বশান্তি প্ৰতিষ্ঠা কৰাটো ক্ষমতাৰ ভাৰসাম্যৰ প্ৰধান উদ্দেশ্য। সৰ্বসৰলতে শান্তি আৰু নিৰাপত্তাক নিৰক্ষন কৰিলে নিৰাপত্তাইহে প্ৰাধান্যতা পায়। কিয়নো নিৰাপত্তা বিহীন শান্তি কল্পনা কৰিব নোৱাৰি। এই ক্ষেত্ৰত প্ৰথম আৰু দ্বিতীয় বিশ্ব-যুদ্ধৰ কথা উল্লেখ কৰিব পাৰি। এই দুয়োখন যুদ্ধত বৃহৎ শক্তিশালী ৰাষ্ট্ৰবিলাকে দুৰ্বল ৰাষ্ট্ৰ বিলাকক আক্ৰমণ কৰাৰ ফলত ৰাষ্ট্ৰবিলাকৰ নিৰাপত্তা আৰু শান্তি বিঘ্নিত হৈছিল। গতিকে ৰাষ্ট্ৰবিলাকৰ মাজত ক্ষমতাৰ ভাৰসাম্যৰ নিতান্ত প্ৰয়োজন। উদাহৰণস্বৰূপে - 1815 চনৰ পৰা 1914 চনলৈ

ক্ষমতাৰ ভাৰসাম্য কতি প্ৰকাৰ কাৰণে এই সময়চোৱাত বিশ্বশান্তি টিকি আছিল।

## (ii) আন্তৰ্জাতিক আইন পালন কৰা:-

ক্ষমতাৰ ভাৰসাম্যই আন্তৰ্জাতিক আইন পালন কৰাৰ ক্ষেত্ৰত সহায় কৰা পৰিলক্ষিত হয়। আন্তৰ্জাতিক আইন আৰু ক্ষমতাৰ ভাৰসাম্যৰ মাজত এক সম্পৰ্ক বিৰাজমান। সেয়েহে অপেন, হইম আদি চিন্তাবিদ সকলে মত প্ৰকাশ কৰিছে যে আন্তৰ্জাতিক আইনৰ স্থিতিৰ কাৰণে ক্ষমতাৰ ভাৰসাম্য প্ৰকৃতি অপৰিহাৰ্য।

## (iii) ৰাষ্ট্ৰবিলাকৰ স্বাধীনতা সুৰক্ষা কৰা:-

ক্ষমতাৰ ভাৰসাম্যই ৰাষ্ট্ৰবিলাকৰ স্বাধীনতা সুৰক্ষা দিয়াৰ ক্ষেত্ৰতো বিশেষ ভাৱে সহায় কৰে বুলি কব পাৰি। যদি ৰাষ্ট্ৰবিলাকৰ ভিতৰত কোনো এখন ৰাষ্ট্ৰ অধিক শক্তিশালী হয় তেন্তে এই শক্তিশালী ৰাষ্ট্ৰখনে দুৰ্বল ৰাষ্ট্ৰবিলাকক আক্ৰমণ কৰি ৰাষ্ট্ৰবিলাকৰ স্বাধীনতাত বাধা প্ৰদান কৰিব পাৰে। ক্ষমতাৰ ভাৰসাম্যই স্বাধীন ৰাষ্ট্ৰবিলাকৰ স্থিৰতা ৰক্ষা কৰাত সহায় কৰে। সেই অনুপাতে যদি দুখন বা অধিক ক্ষমতাসম্পন্ন ৰাষ্ট্ৰ থাকে তেন্তে প্ৰত্যেকখন ৰাষ্ট্ৰই আন দুৰ্বল ৰাষ্ট্ৰৰ ওপৰত যাতে আক্ৰমণ কৰিব নোৱাৰে তাৰ প্ৰতি সচেতন হয়। গতিকে দেখা যায় যে ক্ষমতাৰ ভাৰসাম্যতা থাকিলে ক্ষুদ্ৰ ৰাষ্ট্ৰবিলাকৰো স্বাধীনতা সুৰক্ষিত হয়।

## Conclusion:-

সামৰণিত আমি উল্লেখ কৰিব পাৰো যে ক্ষমতাৰ

# Balance of power

ভাৰসাম্যৰ
নিৰাপত্তাই আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰিছে। ক্ষমতাৰ ভাৰসাম্য অবিহনে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ স্বাধীনতা আৰু নিৰাপত্তা সম্ভৱ নহয়। লগতে নিৰাপত্তা অবিহনে বিশ্বশান্তি সম্ভৱ নহয়। গতিকে স্বাধীনতা, বিশ্বশান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত ক্ষমতাৰ ভাৰসাম্যৰ নিতান্ত প্ৰয়োজন।

— X —

**Q. No. 4 What do you mean by National Interest? Discuss the methods and promotion of the National Interest.** জাতীয় স্বাৰ্থ প্ৰৱৰ্তন বা উৎকৰ্ষ সাধনত নীতিৰ উপায় সমূহ আলোচনা কৰা

**Answer :- Introduction :**

ৰাষ্ট্ৰীয় স্বাৰ্থ বুলিলে আচলতে কি বুজায় তাক সঠিকভাৱে আলোচনা কৰা যথেষ্ট টান কাম। কিয়নো এই ধাৰণাটো বৰ অস্পষ্ট। এই ধাৰণাৰ ওপৰত বিভিন্ন চিন্তাবিদে বিভিন্ন ধৰণে ব্যাখ্যা আগবঢ়াই ইয়াক আৰু বেছি বিভ্ৰান্তিত পেলাইছে।

অইক নামৰ এজন চিন্তাবিদেও ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কে মত পোষণ কৰিছে। তেওঁৰ মতে ৰাষ্ট্ৰীয় স্বাৰ্থ হ'ল এনে এক স্বাৰ্থ যাৰ দ্বাৰা ৰাষ্ট্ৰ বিলাকে আনখন ৰাষ্ট্ৰৰ সম্পৰ্কৰ ক্ষেত্ৰত সুৰক্ষা দিবলৈ চেষ্টা কৰে। ফ্ৰেঙ্কেল নামৰ এজন চিন্তাবিদেও ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কীয় দৃষ্টিভংগীক উদ্দেশ্য-ধৰ্মী আৰু ভাৱমূলক দুটা শ্ৰেণীত বিভক্ত কৰি আলোচনা আগবঢ়াইছে।

ৰাষ্ট্ৰীয় স্বাৰ্থ উৎকৰ্ষ সাধনৰ বিভিন্ন উপায় বা পদ্ধতি দেখা যায়। বিভিন্ন পণ্ডিত সকলে এই পদ্ধতি সম্পৰ্কে বিভিন্ন ধৰণে আলোচনা কৰিছে যদিও পামাৰ আৰু পাৰকিন্সে কিছুমান গুৰুত্বপূৰ্ণ পদ্ধতি বা উপায় উল্লেখ কৰিছে। সেইবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

① মৈত্ৰী চুক্তি (Alliances)

দুখন বা ততোধিক ৰাষ্ট্ৰৰ মাজত মৈত্ৰী চুক্তি সম্পাদন হয়। এই চুক্তি বিলাকৰ অন্তৰালত ৰাষ্ট্ৰীয় স্বাৰ্থ জড়িত হৈ থাকে। অৰ্থাৎ চুক্তিৰ চৰ্ত অনুসৰি এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰক সহায় কৰিব লাগে। অৱশেষে ৰাষ্ট্ৰ কেইখনে কোন বিলাক স্বাৰ্থৰ কাৰণে মৈত্ৰী চুক্তি খন সম্পাদন কৰিছে সেই অনুপাতে ৰাষ্ট্ৰ বিলাকে সামৰিক ব্যৱস্থা গ্ৰহণ কৰে।

(ii) সাম্ৰাজ্যবাদ আৰু উপনিৱেশিকতাবাদ (Imperialism and colonialism):-

সাম্ৰাজ্যবাদ আৰু উপনিৱেশিকতাবাদ ৰাষ্ট্ৰীয় স্বাৰ্থ অৰ্জনৰ বাবে মেৰুৱা বহু ৰাষ্ট্ৰৰ বাবে ইয়াৰ পোষকতা কৰা দেখা যায়। বিশেষকৈ ইউৰোপীয় শক্তি সমূহে ষোল্লশ শতিকাৰ পৰাই ইয়াৰ প্ৰয়োগ কৰা দেখা যায়। দ্বিতীয় বিশ্ব যুদ্ধৰ পাছতো কমিউনিষ্ট সাম্ৰাজ্যবাদৰ আত্মপ্ৰকাশ হোৱা পৰিলক্ষিত হয়। যুগতে সাম্ৰাজ্যবাদ আৰু উপনিৱেশিকতাবাদে ৰাষ্ট্ৰীয় স্বাৰ্থত প্ৰভাৱ পেলায়।

(iii) কূটনীতি (Diplomacy)

জাতীয় স্বাৰ্থ উৎকৰ্ষ সাধনৰ আন এটা উপায় হৈছে কূটনীতি। এই কূটনীতিৰ সহায়তে এখন দেশে বিভিন্ন দেশৰ লগত সম্পৰ্ক স্থাপন কৰি ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষা কৰে। কূটনীতি কাৰ্যকৰী কৰিবলৈ বিভিন্ন দেশে কূটনৈতিক মিচনৰ সৃষ্টি কৰি ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰাৰ চেষ্টা চলায়। এই গোটেই কূটনৈতিক দিশ বিলাক পৰিচালনাৰ বাবে কূটনৈতিক বিষয়া সকলক নিয়োগ কৰা হয়।

(iv) অৰ্থনৈতিক পদ্ধতি (Economic Method)

অৰ্থনৈতিক নীতি গ্ৰহণ কৰিও ৰাষ্ট্ৰ বিলাকে ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰিব পাৰে। কোনোবা ৰাষ্ট্ৰই আন কোনোবা ৰাষ্ট্ৰক ক্ষতি সাধন নকৰাকৈ নীতি গ্ৰহণ কৰিও ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষা কৰিব পাৰে। সাধাৰণতে যুদ্ধ বা শান্তি উভয় ক্ষেত্ৰতে ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষাৰ্থে অৰ্থনৈতিক নীতি গ্ৰহণ কৰা দেখা যায়।

(v) প্ৰচাৰ কাৰ্য (Propaganda)

ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ আন এক উপায় হ'ল প্ৰচাৰ কাৰ্য। প্ৰচাৰ কাৰ্যৰ মাধ্যমত সিকেনো দেশে নিজৰ নীতি কাৰ্যকৰী কৰি ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষা কৰে। আধুনিক কালত যোগাযোগ মাধ্যম অধিক উন্নত হোৱাৰ ফলত বহুতো দেশে ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণাৰ্থে বিদেশী ৰাষ্ট্ৰত সাংস্কৃতিক আৰু তথ্যকেন্দ্ৰ স্থাপনৰ ওপৰত গুৰুত্ব দিছে।

(vi) শাস্তিমূলক ব্যৱস্থা আৰু যুদ্ধ (Coercive Method and War)

ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষাৰ বাবে কেতিয়াবা শাস্তিমূলক ব্যৱস্থা আৰু যুদ্ধৰ আশ্ৰয় লব লগা হব পাৰে। সম্পত্তি বাজেয়াপ্ত কৰা, ক্ষতিপূৰণ লোৱা, কোনো চুক্তি বাতিল কৰা, কাৰো পক্ষৰ আহৰণ বন্ধ কৰা আদি শাস্তিমূলক ব্যৱস্থাৰ জৰিয়তে ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰিব পাৰি। যদি কোনোবা এখন ৰাষ্ট্ৰই এনে ব্যৱস্থাৰ চৰম ৰূপ প্ৰদান কৰে তেতিয়া সেই ব্যৱস্থাই যুদ্ধৰ ৰূপ লয়।

Conclusion :-

Q.No.5 What do you mean by National Interest? Discuss the various kinds of National Interest.

Answer:- Introduction:-

ৰাষ্ট্ৰীয় স্বাৰ্থ বুলিলে আচলতে কি বুজায় তাক সঠিক ভাৱে আলোচনা কৰা যথেষ্ট টান কাম। কিয়নো এই ধাৰণাটো বৰ অস্পষ্ট। এই ধাৰণাটোৰ ওপৰত বিভিন্ন চিন্তাবিদে বিভিন্ন ধৰণে ব্যাখ্যা আগবঢ়াই ইয়াক আৰু বেছি বিভ্ৰান্তিত পেলাইছে।

ডাইক নামৰ এজন চিন্তাবিদে ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কে মত পোষণ কৰিছে। তেওঁৰ মতে ৰাষ্ট্ৰীয় স্বাৰ্থ হ'ল এনে এক স্বাৰ্থ যাৰ দ্বাৰা ৰাষ্ট্ৰবিলাকে আনখন ৰাষ্ট্ৰৰ সম্পৰ্কৰ ক্ষেত্ৰত সুৰক্ষা দিবলৈ চেষ্টা কৰে। ফ্ৰেংকেল নামৰ এজন চিন্তাবিদে ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কীয় দৃষ্টিভংগীক উদ্দেশ্যধৰ্মী আৰু ভাৱমূলক দুটা শ্ৰেণীত বিভক্ত কৰি আলোচনা আগবঢ়াইছে।

বিভিন্ন শ্ৰেণীৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কে আলোচনা কৰিব সাওঁতে বিশিষ্ট চিন্তাবিদ ৰবিন্সনৰ ছয় ধৰণৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ কথা উল্লেখ কৰিব পাৰি। সেইবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

① প্ৰাথমিক স্বাৰ্থ (Primary Interest)

ৰাষ্ট্ৰ এখনৰ প্ৰধান বা প্ৰাথমিক স্বাৰ্থ হ'ল ৰাষ্ট্ৰখনৰ ভৌগোলিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিচয় অক্ষুন্ন ৰখা। এই তিনিটা দিশত যিকোনো সময়ত যিকোনো বাহিৰৰ

অপশক্তিয়ে আক্রমণ কৰিব পাৰে। সেয়ে বাবে ৰাষ্ট্ৰ এেমনে তাদায় আন ৰাষ্ট্ৰই যাতে আক্ৰমণ হানিব নোৱাৰে তাৰ প্ৰতি সচেতন থাকিব লাগে।

(ii) মাধ্যমিক স্বাৰ্থ (Secundary Interest):-

ৰবিন্সনে ৰাষ্ট্ৰীয় স্বাৰ্থক মাধ্যমিক স্বাৰ্থ হিচাপে আন এক শ্ৰেণীত বিভক্ত কৰিছে। এই বিধ স্বাৰ্থও প্ৰাথমিক স্বাৰ্থৰ দৰেই গুৰুত্বপূৰ্ণ। এইবিধ স্বাৰ্থ দেশৰ কূটনৈতিক বিষয়া সকলৰ লগতেই যি সকল নাগৰিক বিদেশত আছে সেই সকলৰ বিভিন্ন সা-সুবিধা তথা নিৰাপত্তাৰ লগত জড়িত।

(iii) স্থায়ী স্বাৰ্থ (Permanent Interest)

এই শ্ৰেণীৰ স্বাৰ্থ ৰাষ্ট্ৰৰ দীৰ্ঘম্যাদি স্বাৰ্থৰ লগত জড়িত। উদাহৰণস্বৰূপে বৃটেইনে যোৱা কেইশতিকা ধৰি মুক্ত নৌ পৰিবহনৰ ওপৰত গুৰুত্ব দি আহিছে।

(iv) পৰিৱৰ্তনশীল স্বাৰ্থ (Variable Interest):-

পৰিৱৰ্তনশীল স্বাৰ্থও এক শ্ৰেণীৰ ৰাষ্ট্ৰীয় স্বাৰ্থ। এইবিধ স্বাৰ্থ এক বিশেষ পৰিস্থিতিত ৰাষ্ট্ৰৰ হিতৰ কাৰণে এই শ্ৰেণীৰ স্বাৰ্থৰ বিশেষ আৱশ্যক।

(v) সাধাৰণ স্বাৰ্থ (General Interest):-

এইবিধ স্বাৰ্থ বিভিন্ন কাৰনাল বহুতো ৰাষ্ট্ৰৰ লগত জড়িত থাকে। ইয়াত ৰাষ্ট্ৰবিলাকৰ অৰ্থনৈতিক, বাণিজ্যিক, কূটনৈতিক বিষয়াৰ বিনিময় বিষয় সম্পৰ্কত. ৰাষ্ট্ৰবিলাকৰ সন্মুখীয়

স্বাৰ্থ থাকিব পাৰে। উদাহৰণস্বৰূপে ব্ৰিটেইনৰ ইউৰোপ মহাদেশত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰাটো তেওঁলোকৰ অপৰিৱৰ্তন স্বাৰ্থ।

(vi) বিশেষ স্বাৰ্থ (Special Interest):-

এই প্ৰকাৰৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সদায় সময় আৰু স্থানৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে- ব্ৰিটেইনে নতুন ৰাষ্ট্ৰবিলাকৰ স্বাধীনতা অটুট ৰখাৰ কাৰণে ইউৰোপ মহাদেশত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰাটোৱেই হ'ল বিশেষ স্বাৰ্থ।

Conclusion

সামৰণিত আমি ইয়াকে উপলব্ধি কৰিব পাৰো যে ৰাষ্ট্ৰীয় স্বাৰ্থৰ ধাৰণাটোৰ আঁচকে এটি অতি জটিল ধাৰণা। ইয়াৰ এক সৰ্বজন গৃহীত ধাৰণা পোৱা টান। তথাপিও এই ধাৰণাক ৰবিদসকলে বিভিন্ন শ্ৰেণীত বিভক্ত কৰি আলোচনা আগবঢ়াইছে। ৰাষ্ট্ৰ এখনৰ কল্যাণৰ কাৰণে ৰাষ্ট্ৰীয় স্বাৰ্থ ধৰাটো একান্ত প্ৰয়োজন বুলি কব পাৰি।

—— × ——

Q No. 6 Define National Interest. Discuss the Criteria of determining National Interest.
জাতীয় স্বাৰ্থ নিৰ্ধাৰণ কৰাৰ- বিভিন্ন উপায় সমূহ- আলোচনা কৰা।

Answer:- Introduction:-

ৰাষ্ট্ৰীয় স্বাৰ্থ হৈছে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ এটা মূল অৱধাৰণা। জাতীয় স্বাৰ্থৰ দেশৰ বৈদেশিক নীতিৰ লগত নিবিড় সম্পৰ্ক বিদ্যমান। জাতীয় স্বাৰ্থৰ ভিত্তিতেই দেশৰ বৈদেশিক নীতি গঢ়ি উঠে। জাতীয় স্বাৰ্থ ৰক্ষা কৰাই হৈছে দেশৰ বৈদেশিক নীতিৰ মূল উদ্দেশ্য। জাতীয় স্বাৰ্থৰ বিষয়ে বিভিন্ন চিন্তাবিদ্-

বিভিন্ন সংজ্ঞা আগবঢ়াইছে সেইবোৰ তলত উল্লেখ কৰা হ'ল-

পল চিবুৰি (Paul Seabury) ৰ মতে জাতীয় স্বাৰ্থই তিনিটা কথা বুজায় —

প্ৰথমতে, "জাতীয় স্বাৰ্থই কিছুমান উদ্দেশ্যৰ সমষ্টিক বুজায়। বৈদেশিক নীতিৰ বিষয়ত এই উদ্দেশ্য অৰ্জন কৰাই ৰাষ্ট্ৰৰ কৰ্তব্য।"

দ্বিতীয়তে, "জাতীয় স্বাৰ্থই কিছুমান উদ্দেশ্যৰ সমন্বয়ক বুজায়। প্ৰত্যেক জাতিৰ নেতা সকলে ইয়াক অবলম্বন কৰে আৰু কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰে।"

তৃতীয়তে, "জাতীয় স্বাৰ্থৰ বিষয়ত ব্যক্তি আৰু গোষ্ঠীৰ মাজত মতভেদৰ সৃষ্টি হব পাৰে।

ডাইক (Dyke) ৰ মতে, "এখন দেশে আন দেশৰ সম্পৰ্কত যি স্বাৰ্থক ৰক্ষা কৰা বা ৰক্ষণা-বেক্ষণ দিয়াৰ চেষ্টা কৰে, তাকেই জাতীয় স্বাৰ্থ বোলা হয়।"

ফ্ৰেঙ্কেল (Frankel) ৰ মতে, "বৈদেশিক নীতিৰ বিষয়ত জাতীয় স্বাৰ্থ-ৱে হৈছে প্ৰধান বিবেচনাৰ বিষয়।"

ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ বহুতো উপাদান পৰিলক্ষিত হয় সেই স্বাৰ্থ নিৰূপণৰ উপাদানসমূহৰ বিষয়ে কলম্বিয়া উলফিয়ে বিভিন্ন ধৰণে আলোচনা পাতিছে। সেই আলোচনা সমূহ তলত দিয়া ধৰণে বৰ্ণনা কৰিব পাৰি ——

① ভাবাদৰ্শ (Ideology):-

পৰিস্থিতি অনুযায়ী ভাবাদৰ্শইও ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ ভূমিকা পালন কৰা দেখা যায়। উদাহৰণস্বৰূপে— যদি

কোনো এখন ৰাষ্ট্ৰৰ অৱস্থা মাৰ্ক্সবাদী বা লেনিনবাদী হয়, তেন্তে তেনেকুৱা দেশে সদায় বৈদেশিক নীতি বিলাক এনেকৈয়ে গ্ৰহণ কৰিব যাতে কমিউনিষ্ট দেশবোৰৰ ক্ষেত্ৰত বন্ধুত্ব সুৰক্ষিত হয়।

(ii) নৃ-গোষ্ঠীয় আৰু জাতিগত (Ethnic and Racial):-

ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ বেলিকা নৃ-গোষ্ঠীয় আৰু জাতিগত দিশবোৰেও এক বিশেষ ভূমিকা পালন কৰা দেখা যায়। উদাহৰণস্বৰূপে- যদি কোনো এজন ব্যক্তিক নৃ-গোষ্ঠীয় বা জাতিগত, সংখ্যালঘু নাইবা সংখ্যাগৰিষ্ঠ নৃ-গোষ্ঠীয় বা জাতিৰ পৰা নিযুক্তি দিয়া হয়। তেন্তে দেখা যায় যে, সেই ব্যক্তিজনে নিজৰ গোষ্ঠী বা জাতিৰ প্ৰতি বিশেষ মনোযোগ দিছে।

(iii) নৈতিক আৰু বিধিগত (Moral and Legal):-

নৈতিক আৰু বিধিগত দিশবোৰেও আন্তৰ্জাতিক সম্পৰ্ক নিৰূপনত সহায় কৰে। নৈতিকতাই সদায় ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণত নিজৰ আশ্বাস আৰু চুক্তি চৰ্তাৱলী পালন কৰিব লাগে। লগতে এখন দেশে আন এখন দেশৰ প্ৰতি বন্ধুত্ব সুলভ ব্যৱহাৰ আৰু নিজে বাচি থকা আৰু আনকো বাচি থকাৰ সুবিধা দিয়াৰ নীতি গ্ৰহণ কৰিব লাগিব। এই সকলোবিলাক প্ৰক্ৰিয়া, বৈধতাৰ মাজত কৰা উচিত।

(iv) আমোলাৰ ভূমিকা (Rule of Bureaucrats):-

আমোলাৰ ভূমিকাৰ ওপৰতো ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰ্ভৰ কৰে। সাধাৰণতে ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয়

স্বাৰ্থ পূৰণৰ কাৰণে নীতি গ্ৰহণ কৰিলেও এই ক্ষেত্ৰত আমেৰিকাতন্ত্ৰৰ জনমত অনুমোদনৰ আৱশ্যক হয়। ইয়াৰ বিপৰীতে তেনে নীতি কাৰ্যকৰী কৰাত অসুবিধা আছে। এক কথাত জনমতেও এখন দেশৰ ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ নীতি ধাৰ্য্য কৰাত নিৰ্ণায়ক ভূমিকা পালন কৰিব পাৰে।

(v) বাস্তৱবাদীতাৰ (Pragmatic):-

ৰাষ্ট্ৰ এখনে পৰিস্থিতি সাপেক্ষে কাম বা নীতি গ্ৰহণ কৰাৰ ওপৰতো ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰ্ভৰশীল। গতিকে যদি কোনো নীতি বা আইন নৈতিক নিয়ম পালন কৰিলে আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ হয় তেন্তে তেনে বাস্তৱ ধৰ্মী নীতি, আইন বা নৈতিক নিয়ম পালন কৰাটো বাঞ্চনীয়।

(vi) বিদেশী ৰাষ্ট্ৰৰ নিৰ্ভৰশীলতাৰ (Foreign depending Criteria):-

যিবিলাক ৰাষ্ট্ৰ আন এখন ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল ঠিক সেই ৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰীয় স্বাৰ্থও আনখন ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল হব। অৰ্থাৎ ৰাষ্ট্ৰখনে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে কোনো নীতি গ্ৰহণ কৰিলেও নিৰ্ভৰশীল ৰাষ্ট্ৰই অনুমোদন নজনালে তেনে নীতি বা আঁচনি ৰাষ্ট্ৰীয় স্বাৰ্থ গঠনৰ কাৰণে কাৰ্যকৰী হব নোৱাৰে।

(vii) নীতি কাৰ্যকাৰীতাৰ সম্পৰ্কীয় দৰ্শন (Operational philosophy Creteria):-

ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপনত চৰকাৰী নীতি কাৰ্যকৰী

কৰা নাইবা পৰীক্ষামূলক ভাৱে নীতি কাৰ্যকৰী কৰাৰ নিতান্ত আৱশ্যক। সময়, স্থান আৰু পূৰ্বৰ শাসক সকলৰ কাৰ্য্যাৱলীৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ বাবে কোনো নীতি ক্ষিপ্ৰতাৰে কাৰ্যকৰী কৰিব পাৰি। উদাহৰণস্বৰূপে — ৰাষ্ট্ৰ এখনে আন ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব পাৰে, কোনো আন্তৰ্জাতিক সামৰিক জোটৰ অংশীদাৰ বা তাক ত্যাগ কৰিব পাৰে আদি।

Conclusion :

সামৰণিত আমি কব পাৰো যে ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ ক্ষেত্ৰত কিছুমান উপাদানে বাৰুকৈ সহায় কৰে, তাক আমি স্বীকাৰ কৰিব লাগিব। স্থান সময় আৰু পৰিৱেশ অনুসৰি এই উপাদানবিলাকৰ পৰিৱৰ্তন হব পাৰে। গতিকে ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপনৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ নীতি, নৈতিকতা বা আইন কাৰ্যকৰী কৰা পৰিলক্ষিত হয়।

—— x ——

## Q. No. 1 Define International politics. Discuss the Nature and scope of International politics.

**Answer** :- Introduction :-

আন্তঃ ৰাষ্ট্ৰীয় ৰাজনীতি বুলিলে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত থকা সম্পৰ্কক বুজায়। "International" নামৰ ইংৰাজী শব্দটো প্ৰথমবাৰৰ বাবে ১৭৮০ চনত ইংৰাজ চিন্তাবিদ বেন্থামে প্ৰয়োগ কৰিছিল। এই শব্দটোৰ জৰিয়তে তেওঁ ৰাষ্ট্ৰসমূহৰ মাজত থকা বন্ধুত্বপূৰ্ণ বা তিক্ততাপূৰ্ণ সম্পৰ্কক বুজাইছিল।

আন্তৰ্জাতিক ৰাজনীতিক বিশ্লেষণ কৰিলে বিভিন্ন চিন্তাবিদ সকলৰ আন্তৰ্জাতিক ৰাজনীতি সম্পৰ্কে কিছুমান সংজ্ঞা আগবঢ়োৱা পৰিলক্ষিত হয়। সেই সংজ্ঞাসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

— পালমাৰ আৰু পাৰকিনচৰ মতে, "আন্তৰ্জাতিক ৰাজনীতি প্ৰধানকৈ ৰাষ্ট্ৰীয় ব্যৱস্থাৰ লগত জড়িত থাকে।"

According to Margenthou, "International politics is the struggle for and use of power among nations."

According to Thompson, "International politics is the study of rivalary among nations and the conditions and instituations which ameliorate these relationship."

কুইনচি ৰাইটৰ মতে, "আন্তৰ্জাতিক ৰাজনীতি এনে এটা পদ্ধতি যাৰ দ্বাৰা ক্ষমতা আহৰণ কৰি তাক আন্তৰ্জাতিক ক্ষেত্ৰত স্বাৰ্থৰ লগত সম্প্ৰসাৰণো কৰিব পাৰি।"

উপৰুক্ত সংজ্ঞা সমূহৰ পৰা দেখা যে আন্তৰ্জাতিক ৰাজনীতি এনে এটা পদ্ধতি যাৰ দ্বাৰা ৰাষ্ট্ৰবিলাকে ক্ষমতাৰ দ্বাৰা নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে যত্নপৰ হয়।

## Nature of International politics:-

আন্তৰ্জাতিক ৰাজনীতিক সাৰ্বিকভাৱে পৰ্যবেক্ষণ কৰিলে ইয়াৰ জটিল স্বৰূপ পৰিলক্ষিত হয়। আন্তৰ্জাতিক ৰাজনীতিৰ প্ৰকৃতিবোৰ ব্যাপক আৰু বিস্তৃত। ইয়াৰ প্ৰকৃতি সম্পৰ্কে তলত দিয়া দৃষ্টিকোণ সমূহৰ ভিত্তিত আলোচনা কৰিব পাৰি—

### 1. গতিশীল বিষয়:-

আন্তৰ্জাতিক ৰাজনীতিৰ প্ৰকৃতি গতিশীল। সময় সাপেক্ষে ইয়াৰ বিষয়বস্তুৰ পৰিৱৰ্তন হৈ থাকে। [illegible]

### 2. বৰ্ণনামূলক:-

আন্তৰ্জাতিক ৰাজনীতি অধ্যয়ন কৰোঁতে বৰ্ণনামূলক পদ্ধতিৰ সহায় লোৱা পৰিলক্ষিত হয়। [illegible]

### 3. ব্যাপক আৰু বিস্তৃত ক্ষেত্ৰ:-

আন্তৰ্জাতিক ৰাজনীতি সম্পৰ্কে বিশ্বৰ সকলো ৰাষ্ট্ৰৰ লগত জড়িত হৈ আছে। সেয়ে ইয়াক ব্যাপক আৰু বিস্তৃত ক্ষেত্ৰ বুলি কোৱা হয়।

### 4. ৰাষ্ট্ৰ আৰু চৰকাৰৰ লগত জড়িত:-

আন্তৰ্জাতিক ৰাজনীতিৰ [illegible] সাধাৰণ ৰাষ্ট্ৰ আৰু

চৰকাৰৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলা পৰিলক্ষিত হয়। লগতে ৰাষ্ট্ৰ আৰু চৰকাৰৰ বিদেশনীতিৰ লগতো জড়িত থাকে।

5. কোনো নিৰ্দিষ্ট কৰ্তৃপক্ষ নাই :-

ৰাষ্ট্ৰীয় ৰাজনীতি নিয়ন্ত্ৰণৰ কাৰণে যেনেকৈ নিৰ্দিষ্ট কৰ্তৃপ থাকে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি নিয়ন্ত্ৰণৰ কাৰণে তেনে কো নিৰ্দ্ধাৰিত কৰ্তৃপক্ষ নাথাকে।

## Scope of International politics :-

আন্তঃৰাষ্ট্ৰীয় (জাতিক) ৰাজনীতিৰ বিষয় বস্তু আৰু পৰিসৰ অতি ব্যাপক। ইয়াৰ বিষয়বস্তু আৰু পৰিসৰ সম্পৰ্কে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

1. উপনিৱেশিক শাসনৰ পৰৱৰ্তী ব্যৱস্থা :-

দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত বহুতো উপনিৱেশিক দেশে স্বাধী-নতা লাভ কৰে। এই ৰাষ্ট্ৰবিলাকৰ লগত বহুক্ষেত্ৰত বৃহৎ ৰাষ্ট্ৰগোষ্ঠীৰ সংঘাত হয়। গতিকে আন্তৰ্জাতিক ৰাজনীতিৰ অধ্যয়নৰ পৰিসৰ উপনিৱেশিক শাসনৰ লগতো জড়িত হৈ পৰে।

2. বিশ্বৰ জনমত :-

আন্তৰ্জাতিক ৰাজনীতিত প্ৰথম অৱস্থাত বিশ্ব জনমতৰ কোনো প্ৰভাৱ নাছিল। কিন্তু বৰ্তমান সময়ত বিভিন্ন ধৰ্মী লৈ ৰাষ্ট্ৰবিলাকৰ মাজত হোৱা সংঘৰ্ষৰ উপসম ঘটোৱাত বিশ্ব জনমতক উপেক্ষা কৰিব নোৱাৰি।

3. ভাৱাদৰ্শ :-

আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিক প্ৰভাৱিত কৰা আন এটা উল্লেখযোগ্য দিশ হৈছে ভাবাদৰ্শ। গণতন্ত্ৰ আৰু সাম্যবাদী ভাৱাদৰ্শৰ ভবিষ্যতে ৰাষ্ট্ৰসমূহৰ মাজত আৰম্ভ হোৱা প্ৰতিযোগীতামূলক ৰাজনীতিক ৰাজনীতিৰ বিষয়বস্তু বুলি গণ্য কৰা হয়।

4. আন্তৰ্জাতিক মৈত্ৰী গোষ্ঠ :-

আন্তৰ্জাতিক পৰ্যায়ত বৰ্তমান NATO, SEATO, SAARC আদি বিভিন্ন মৈত্ৰী সংগঠন আছে। এই বিলাকৰ গঠন আৰু কাৰ্যসম্পৰ্কতো আন্তৰ্জাতিক ৰাজনীতিত অধ্যয়ন কৰা হয়।

5. যুদ্ধ আৰু শান্তি :-

আধুনিক যুগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে যুদ্ধ সংগঠিত হব পাৰে। এই যুদ্ধৰ লগত শান্তি প্ৰতিষ্ঠাৰ প্ৰয়াস জড়িত হৈ থাকে পাৰে। আন্তৰ্জাতিক সম্পৰ্ক গতিকে যুদ্ধ আৰু শান্তিক কেন্দ্ৰ কৰি আন্তৰ্জাতিক সম্পৰ্ক পৰিচালিত হয়। উদাহৰণস্বৰূপে ইৰাকৰ যুদ্ধক কেন্দ্ৰ কৰি আমেৰিকা আৰু অন্যান্য ৰাষ্ট্ৰবোৰৰ মাজত নতুন আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ সৃষ্টি হৈছে।

6. ৰাষ্ট্ৰীয় স্বাৰ্থ :-

ৰাষ্ট্ৰবিলাকে নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে কেতিয়াবা অন্য ৰাষ্ট্ৰৰ সৈতে দীঘলীয়া সংঘাত সৃষ্টি কৰা দেখা যায়। এনে সংঘাতেও আন্তৰ্জাতিক ৰাজনীতিৰ পৰিসৰ বৃদ্ধি কৰে। ভাৰত -বৰ্ষৰ কাশ্মীৰক এনে এটা সংঘাতৰ উদাহৰণ হিচাপে লব পাৰি।

7. বৈদেশিক নীতি :-

ৰাষ্ট্ৰবিলাকৰ বৈদেশিক নীতিৰ ফলত আন্তৰ্ৰাষ্ট্ৰীয় ৰাজনীতি

পৰিৱৰ্তন হব পাৰে। সেয়েহে এনে নীতিবোৰ আন্তৰ্জাতিক নীতিৰ লগত জড়িত কৰা হৈছে।

8. রাষ্ট্র ব্যৱস্থা :-

ৰাষ্ট্ৰবিলাকেই হৈছে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ মূল উপাদান। গতিকে ৰাষ্ট্ৰ বিলাকৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে ইয়াত অধ্যয়ন কৰা হয়।

9. নিৰস্ত্ৰীকৰণ :-

আধুনিক যুগত ৰাষ্ট্ৰবিলাকে অস্ত্ৰ শস্ত্ৰ প্ৰস্তুত কৰি বিশ্ব শান্তি প্ৰতিষ্ঠা কৰিব বিচাৰে। ফলত নিৰস্ত্ৰীকৰণ বিষয়টো আন্তৰ্জাতিক ৰাজনীতিৰ লগত সোমাই পৰিছে।

10. ক্ষমতা :-

আন্তৰ্জাতিক ৰাজনীতি ক্ষমতা অধ্যয়নতো জড়িত হৈ থাকে। ক্ষমতাক কেন্দ্ৰ কৰিয়েই আন্তৰ্জাতিক ৰাজনীতিৰ ভেটি সুদৃঢ় হৈ উঠিছে।

Conclusion :-

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে আন্তৰ্জাতিক ৰাজনীতিৰ পৰিসৰ অতি ব্যাপক আৰু বিস্তৃত। ৰাজনীতি গতিশীল বিষয় হোৱাৰ কাৰণে আন্তঃ ৰাষ্ট্ৰীয় ৰাজনীতিৰ পৰিসৰ দিনে দিনে বৃদ্ধি পাই আছে।

———o———

**Q.No.2** Write brief note of the development of International relation as a branch of study.

OR

Discuss briefly the development of International relation as an autonomous branch of study.

**Answer:** Introduction:-

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক হৈছে ৰাষ্ট্ৰ সমূহৰ মাজত চলি থকা পাৰস্পৰিক সম্পৰ্ক। এই সম্পৰ্কৰ ভবিষ্যতে ৰাষ্ট্ৰ সমূহৰ বিভিন্ন বিষয়ত আন্তঃৰাষ্ট্ৰীয় সহযোগীতা সৃষ্টি কৰিব পাৰে আৰু আন্তৰ্জাতিক বিকাশ সাধন হয়।

## Development of International Relation:-

এক স্বতন্ত্ৰ আৰু বৈশিষ্ট্য পূৰ্ণ পাঠ্যক্ৰম হিচাপে প্ৰতিষ্ঠিত হোৱাৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ইতিহাস বেছি দিনৰ পুৰণি নহয়। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক পাঠ্যক্ৰমৰ বিষয় হিচাপে হোৱাটো প্ৰায় সত্তৰ বছৰ মান বুলি ধৰিব পাৰি কাৰণ ইয়াৰ তাত্বিক আৰু শৃংখলাবদ্ধ ক্ৰমবিকাশৰ সোৱমুনি হৈছে এই শতিকাৰ আৰম্ভণিত। অৱশেষত ইয়াক যদি ৰাষ্ট্ৰবিলাকৰ সম্পৰ্কৰ নীতি নিৰ্ধাৰণকাৰী বিষয় হিচাপে ধৰি লোৱা হয়। তেনেহলে কব লাগিব যে ইতিহাস অতি পুৰণি।

মানৱ সভ্যতাৰ আৰম্ভণিতে ৰাষ্ট্ৰবিলাকৰ মাজত সীমিত সম্পৰ্ক হৈ আছিল। ভাৰতবৰ্ষৰ চন্দ্ৰগুপ্তৰ শাসন কালত

কৌটিল্যৰ লিখা 'অৰ্থশাস্ত্ৰ' গ্ৰন্থত আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ৰমবিকাশ আৰম্ভ হৈছিল বুলি ধাৰণা কৰা হৈছে। ইউৰোপৰ বিখ্যাত পণ্ডিত মেকিয়াভেলিৰ লিখনিত বৈদেশিক সম্পৰ্ক স্থাপন আৰু পৰিচালনাৰ বিষয়ে দিহা পৰামৰ্শ পোৱা যায়।

ইউৰোপত নৱজাগৰণ শিল্প বিপ্লৱ, ধৰ্ম সংস্কাৰ আদিৰ লগে লগে এই মহাদেশৰ ৰাষ্ট্ৰ সমূহৰ মাজত সম্পৰ্কৰ মাত্ৰা বাঢ়িবলৈ ধৰে। 1648 চনত ইউৰোপৰ ৰাষ্ট্ৰ প্ৰধান আৰু কূটনীতিবিদ সকল ওৱেষ্ট ফেলিয়াত মিলিত হৈ শান্তিৰ চুক্তি স্বাক্ষৰ কৰি 30 বছৰ যুদ্ধৰ অৱসান ঘটাইছিল। লগতে স্বাধীনতা আৰু সমতাৰ ভিত্তিত ইউৰোপৰ ৰাষ্ট্ৰ সমূহৰ মাজত পাৰস্পৰিক সাৰ্বভৌমত্বৰ প্ৰতি স্বীকৃতি প্ৰদান কৰা হয়। আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত এয়া আছিল এক স্মৰণীয় পদক্ষেপ।

শিল্প বিপ্লৱ আৰু যাতায়াতৰ আমূল পৰিৱৰ্তনৰ ফলত ইউৰোপৰ দেশ বিলাকৰ মাজত ব্যাপক হাৰত সামগ্ৰী আদি আদান-প্ৰদান হ'বলৈ ধৰিছে। ফলত দূৰৱৰ্তী দেশৰ সীমা চেৰাই আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্ক দূৰ দূৰণিৰ দেশৰ লগতো প্ৰতিষ্ঠিত হ'বলৈ ধৰিলে।

1814-15 চনত ইউৰোপত কেইবাটাও যুদ্ধ বিগ্ৰহ সংঘটিত হৈছিল। এইবোৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে আৰু ৰাষ্ট্ৰ সমূহৰ মাজত পাৰস্পৰিক শান্তি আৰু সহযোগীতাৰ প্ৰতিষ্ঠাৰ বাবে 1815 চনত সমৰক্ষেম

ভিয়েনা কংগ্ৰেছ পাছত মৈত্ৰী চুক্তি আৰু 'Concert of Europe' নামৰ চুক্তি সম্পাদিত হৈছিল। এই বিলাকে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ সৃষ্টিত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ পিছত প্ৰথম বিশ্বযুদ্ধৰ পৰিপ্ৰেক্ষিতত 1920 চনত গঠন হোৱা জাতি সংঘই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছিল।

~~1920-19~~ 1920-1931 চনৰ সময়চোৱাৰ ভিতৰত আন্তঃজাতিক সম্পৰ্কৰ বিষয়ে কেইখনমান মূল্যবান গ্ৰন্থ প্ৰকাশ পাইছিল। সেই গ্ৰন্থবিলাকৰ ভিতৰত লৰ্ড ব্ৰাইচৰ 'International Relation' অধ্যাপক জিমাৰ্নৰ 'Univercity Teaching of International Relation's কুইনচি ৰাইটৰ "A Study of war" আদি বিশেষ ভাৱে উল্লেখযোগ্য। এই কিতাপ কেইখনে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি আগবঢ়াইছিল বুলি কব পাৰি।

অলচন নামৰ লিখক এজনেও আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক বিকাশৰ ক্ষেত্ৰত চাৰিটা পৰ্যায়ত বিকাশ হোৱা বুলি উল্লেখ কৰিছে। তাৰে প্ৰথম পৰ্যায়টো হ'ল — ঊনবিংশ শতিকাৰ পৰা প্ৰথম মহাসমৰলৈকে, দ্বিতীয়টো পৰ্যায় আৰম্ভ হৈছিল – প্ৰথম বিশ্বযুদ্ধৰ শেষৰ সময়চোৱাৰ পৰা। তৃতীয় পৰ্যায়টো প্ৰথমবিশ্বযুদ্ধৰ পৰা দ্বিতীয় বিশ্ব যুদ্ধৰ সময়লৈকে আৰু চতুৰ্থ পৰ্যায়টো দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পৰা আৰম্ভ হৈছিল।

এই খিনিতে এটা কথা মনত ৰখা ভাল যে

দ্বিতীয় বিশ্বযুদ্ধৰ অৱসান হোৱাৰ লগে লগে এক নতুন ধৰণৰ যুদ্ধ সদৃশ বাতাবৰণৰ সৃষ্টি হয়, ইয়াক শীতল যুদ্ধ বুলি কোৱা হয়। ইয়াৰ ফলত বিশ্ব ৰাজনীতিত উল্লেখনীয় পৰিৱৰ্তন আৰম্ভ হয়। এই পৰিৱৰ্তনৰ বাবেই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত দ্বি কেন্দ্ৰীক ধাৰণাৰ সৃষ্টি হয়। কিন্তু সময়ৰ সোঁতত শীতল যুদ্ধৰ অৱসান ঘটে আৰু এক কেন্দ্ৰীক বিশ্বৰ ধাৰণাৰ সৃষ্টি হয়। বৰ্তমান সময়ত এই এক কেন্দ্ৰীক আন্তঃৰাষ্ট্ৰীয় ধাৰণাৰ ওপৰত ৰাষ্ট্ৰ সমূহৰ সম্পৰ্ক নিয়ন্ত্ৰিত হৈ আছে।

## Conclusion :-

গতিকে ওপৰৰ আলোচনাৰ পৰা সামগ্ৰিকত আমি কব পাৰো যে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ অধ্যয়ন প্ৰাচীন কালৰে পৰাই বিভিন্ন পৰ্যায়ত অধ্যয়ন চলাই আহিছে যদিও এক স্বতন্ত্ৰ অধ্যয়নৰ বিষয় হিচাপে উনবিংশ শতিকা পৰাহে ইয়াৰ উত্তৰণ ঘটা বুলি কব পাৰি।

—x—

Q. No. 7 Write a short note on Ideology.

Answer :- আদৰ্শ আন্তৰ্জাতিক ৰাজনীতিৰ এটা গুৰুত্বপূৰ্ণ পক্ষ। সাম্প্ৰতিক কালৰ ৰাজনীতিত আদৰ্শই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায়। হিটলাৰৰ নেতৃত্বত জাৰ্মানীত নাৎসীবাদ আদৰ্শৰ প্ৰচলন হৈছিল, মুছোলিনীৰ নেতৃত্বত ইটালীত ফেচিবাদৰ প্ৰচলন হৈছিল। প্ৰাচীন কালত আদৰ্শৰ ধাৰণাটোক ৰাজনৈতিক বিষয়ত লিপিবদ্ধ কৰা হোৱা নাছিল। প্ৰায় ২০০ বছৰ আগৰ পৰাহে ইয়াৰ প্ৰয়োগ কৰা দেখা যায়। ফৰাচী চিন্তাবিদ ট্ৰেছিয়ে প্ৰথমে আদৰ্শ শব্দটো ব্যৱহাৰ কৰিছে। ইংৰাজ চিন্তাবিদ বেন্থামৰ লিখনিৰ পৰাহে এই ধাৰণাৰ বিকাশ আৰম্ভ হয়।

সমাজ এখনত থকা সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সমস্যা সমূহ আঁতৰ কৰাৰ বাবে কিছুমান কাৰ্য্যপন্থা হাতত লোৱা দেখা যায়। এই কাৰ্যপন্থা সমূহক আদৰ্শ বুলি গণ্য কৰা হয়। এই ক্ষেত্ৰত উদাৰতাবাদ, জাতীয়তাবাদ, সমাজবাদ, সাম্যবাদ, ফেচিবাদ গণতন্ত্ৰ আদিক একো একোটা আদৰ্শ বুলি গণ্য কৰা হয়।

আদৰ্শক বিভিন্ন প্ৰকাৰত ভাগ কৰা হয় পাৰিলেও নয়। যেনে— উদাৰতাবাদ, সৰ্বাত্মকবাদ, আদৰ্শগত সংঘাত আদি। এই আদৰ্শবিলাকক বিশ্লেষণ কৰিলে ইয়াৰ নিজা নিজা কিছুমান লক্ষ্য আৰু উদ্দেশ্য থকা দেখা যায়।

মেনে — আদৰ্শৰ উদাৰতাবাদ প্ৰকাৰটোৱে সামাজিক, অৰ্থনৈতিক, জাতিগত আৰু জাতীয় মৰ্যাদা ভেদে জনসাধা-ৰণৰ কল্যাণৰ ওপৰত গুৰুত্ব দিয়ে।

আদৰ্শক বিভিন্ন চিন্তাবিদ সকলেও বিভিন্ন প্ৰকাৰত ভাগ কৰা দেখা যায়। তাৰ ভিতৰত Morgenthau মেই হ'ল অন্যতম। তেখেতে আদৰ্শক তিনি প্ৰকাৰত ভাগ কৰিছে। সেই তিনিবিধ আদৰ্শ হ'ল স্থিতাৱস্থাৰ আদৰ্শ, সম্প্ৰসাৰণবাদী আদৰ্শ আৰু অনিশ্চিত আদৰ্শ।

আদৰ্শ সম্পৰ্কে বিভিন্ন চিন্তাবিদ সকলে বিভিন্ন ধৰণে বিভক্ত কৰি আলোচনা কৰিলেও প্ৰকৃততে আদৰ্শৰ এক বিশেষ ভূমিকা থকা বুলি কব পাৰি। সেয়েহে আদৰ্শ-ই মিবিলাক নীতি আগবঢ়ায় সেই নীতি বিলাক মানুহে বিনা বিচাৰে মানি লয়। সেয়ে বাবে আদৰ্শক সমাজউন্নয়ন চাবি কাঠি বুলি কব পাৰি। আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত আদৰ্শৰ ভূমিকা সম্পৰ্কত চিন্তাবিদসকলৰ মাজত মতভেদ থাকিলেও ইয়াৰ গুৰুত্ব কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি।

—×—

Q. No. 10 Discuss Critically the Idealist theory to the study of International politics.

Answer :- Introduction :-

আন্তৰ্জাতিক ৰাজনীতিৰ লগত অধ্যয়নৰ লগত দুটা

প্ৰধান দৃষ্টিভংগী জড়িত হৈ আছে। তাৰে এটা হৈছে পৰম্পৰাগত দৃষ্টিভংগী আৰু আনটো হৈছে বৈজ্ঞানিক দৃষ্টিভংগী। আন্তৰ্জাতিক ৰাজনীতি অধ্যয়নৰ সৈতে জড়িত হৈ থকা আদৰ্শবাদী তত্ত্বটো পৰম্পৰাগত দৃষ্টিভংগীৰ এটা অংগ।

আদৰ্শবাদী তত্ত্বটোৱে আন্তৰ্জাতিক ৰাজনীতিত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে সেই সম্পৰ্কে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি ——

* আদৰ্শবাদী তত্ত্ব মতে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ পৰা ক্ষমতাৰ দ্বন্দ্ব নাইকীয়া কৰিব লাগে আৰু তাৰ পৰিৱৰ্তে এনে এটা বিশ্ব ব্যৱস্থা গঢ়ি তুলিব লাগে। যাৰ ভিত্তি হ'ব শান্তি আৰু নৈতিকতা। আদৰ্শবাদী তত্ত্বটো এটা পুৰণি তত্ত্ব আৰু 1776 চনৰ আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু 1789 চনৰ ফৰাচী বিপ্লৱৰ সময়ত আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত আদৰ্শবাদৰ বহিঃপ্ৰকাশ ঘটিছিল। সেই সকল চিন্তাবিদৰ লিখনিত এই তত্ত্বৰ আভাস পোৱা যায়। তেওঁলোকৰ ভিতৰত কন্দৰছেট, ৰুছো, কান্ট, উড্ৰো উইলছন আদিয়ে প্ৰধান।

1795 চনত কন্দৰছেটে তেওঁৰ প্ৰবন্ধত উল্লেখ কৰিছিল যে বিশ্বৰ পৰা যুদ্ধ স্বৈৰতন্ত্ৰ আৰু অসমতা দূৰ কৰি শান্তিপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগে। ৰুছোৱে তেওঁৰ "Fragment" on war" নামৰ গ্ৰন্থত ন্যায় প্ৰতিষ্ঠাৰ বাবে বিশ্বৰ পৰা অত্যাচাৰ, অপৰাধ স্বেচ্ছাচাৰী শাসন এইবিলাক ধ্বংস কৰি শান্তিপূৰ্ণ পৰিৱেশ সৃষ্টিৰ ওপৰত গুৰুত্ব দিছিল।

আদৰ্শবাদীতত্ত্বটো আন এজন প্ৰধান পৃষ্ঠপোষক

আমেৰিকাৰ ৰাষ্ট্ৰপতি উড্ৰ উইলচনে বিশ্ব শান্তি প্ৰতিষ্ঠাৰ কাৰণে প্ৰথম মহাযুদ্ধৰ পিছত এক চৌধ্য দফীয়া আঁচনি উত্থাপন কৰিছিল। এই আঁচনিৰ জৰিয়তে যুদ্ধৰ ভয়ৰ বহতাৰ পৰা আন্তৰ্জাতিক সুৰক্ষা দিবৰ কাৰণে এটা আন্তৰ্জাতিক অনুষ্ঠান গঠনৰ ওপৰত গুৰুত্ব দিছিল।

আদৰ্শবাদী সকলে ৰাষ্ট্ৰবোৰৰ সম্পৰ্কৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় স্বাৰ্থ জড়িত হৈ থকা বুলি ভাবে যদিও তেনে স্বাৰ্থ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত প্ৰতিবন্ধক নহয় বুলি বিবেচনা কৰে। অৰ্থাৎ তেওঁলোকৰ মতে যদি ৰাষ্ট্ৰবোৰ প্ৰকৃততে শান্তিপ্ৰিয় হয় আৰু তেওঁলোকে শান্তিৰ কাৰণে আন ৰাষ্ট্ৰৰ লগত থকা বিবাদবোৰ শান্তিপূৰ্ণ উপায়েৰে মীমাংসা কৰাৰ চেষ্টা কৰিব পাৰে। ইয়াৰ ফলত বিশ্ব শান্তিৰ পথ প্ৰশস্ত হব।

আদৰ্শবাদী সকলে বৰ্তমান জাতীয় ৰাষ্ট্ৰবোৰৰ ব্যৱস্থাৰ আমোল পৰিৱৰ্তন সাধন কৰি বিশ্ব ভ্ৰাতৃত্ব, বিশ্ব কল্যাণ, বিশ্বশান্তিৰ লগতে বিশ্ব ৰাষ্ট্ৰ গঠনৰ পোষকতা কৰে। এই ধাৰণাৰ বহৰাতি হোৱাৰ কাৰণে প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ সময়ছোৱাত আন্তৰ্জাতিক অনুষ্ঠানবিলাকৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

আদৰ্শবাদী সকলৰ মতে প্ৰত্যেক ৰাষ্ট্ৰই এটা নৈতিক নীতি মানি চলিব লাগে। এনে নীতি নিয়মে ৰাষ্ট্ৰবিলাকক বিশ্ব নৈতিকতাৰ প্ৰতিও আগ্ৰহী কৰি তুলে। আদৰ্শবাদী

যে প্ৰত্যেক ৰাষ্ট্ৰৰ এক বিবেক আছে বুলি বিবেচনা কৰে আৰু তেনে বিবেকৰ ফলতেই ৰাষ্ট্ৰবোৰৰ মাজত বিশ্ব শান্তি আৰু বিশ্ব ভ্ৰাতৃত্ব প্ৰতিষ্ঠা হব পাৰে।

আন্তৰ্জাতিক ৰাজনীতিত আদৰ্শবাদী ধাৰণাই বিশেষ ভূমিকা গ্ৰহণ কৰিলেও ইয়াৰ ওপৰত সমালোচকসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা সমালোচনা কৰা পৰিলক্ষিত হয়। কিছুমান সমালোচকে আদৰ্শবাদীতত্ত্বটোক এটা কাল্পনিক তত্ত্ব বুলি কব বিচাৰে আৰু ইয়াক বাস্তৱত ৰূপায়িত কৰাটোও সম্ভৱপৰ নহয় বুলি সমালোচনা কৰে।

আন কিছুমান সমালোচকে আদৰ্শবাদী সকলৰ বিশ্ব ৰাষ্ট্ৰ গঠনৰ ধাৰণাটো গ্ৰহণ নকৰে, কাৰণ কোনো ৰাষ্ট্ৰই জাতীয় সাৰ্বভৌমত্ব ত্যাগ কৰি বিশ্ব ৰাষ্ট্ৰ গঠনত পোষকতা নকৰে।

আন কিছুমান সমালোচকৰ মতে, আদৰ্শবাদীসকলে ৰাষ্ট্ৰীয় ক্ষমতাৰ পৰিৱৰ্তে পাৰস্পৰিক নৈতিক নীতিৰ ওপৰত গুৰুত্ব দিয়ে, কিন্তু বহু ৰাষ্ট্ৰই এনে নীতি গ্ৰহণ কৰিব নোখোজে।

আদৰ্শবাদীসকলে বিশ্ব শান্তি প্ৰতিষ্ঠাৰ বাবে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়োৱাও পৰিলক্ষিত হয়। যেনে- যুদ্ধক বেআইনী বুলি ঘোষণা কৰিব লাগে, একনায়কত্ববাদক অৱসান ঘটাব লাগে, গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব লাগে ইত্যাদি।

22

## Conclusion

সামৰণিত আমি ক'ব পাৰো যে আদৰ্শবাদী তত্ত্বৰ মূল আইডিয়াম হৈছে মিলেনো প্ৰকল্পৰে যুদ্ধ, হিং; উৎ, অন্যায় অনীতি এইবোৰ নাইকীয়া কৰি বিশ্ব শান্তি আৰু ভ্ৰাতৃত্ব প্ৰতিষ্ঠা কৰা।

---x---

**Q.No.21** Critically give an assesment of Hans je Margenthous political relations.

OR

State Six principle of Hans je Margenthou political Realism attempt a brief criticism of Margenthous principles.

OR

International politics like all politics is a struggle for power Hanse je Margenthou elevorate the statement. Do you agree?

OR

State and Criticised the six principles of political Realism advence by professor Morgenthou.

**Answer**:- Introduction

আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি অধ্যয়নৰ লগত মৰ্গেনৰ তত্ত্ব জড়িত

হৈ আছে সেইবোৰৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ তত্ত্ব হৈছে বাস্তৱবাদী দৃষ্টিভংগী। এই তত্ত্বৰ মূল বক্তব্য হৈছে ৰাষ্ট্ৰৰ মাজত ক্ষমতাৰ বাবে চলিত থকা অবিৰাম সংগ্ৰামেই হৈছে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি আৰু এই সংগ্ৰামেই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক নিৰ্ধাৰণ কৰে।

## বাস্তৱবাদী তত্ত্বৰ উদ্ভৱ:-

বাস্তৱবাদী তত্ত্বটোৰ বোধহয় পুৰণি নহয় বুলিব কব বিচাৰে যে প্ৰাচীন ভাৰতৰ বিখ্যাত পণ্ডিত কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু মেকিয়াভেলিৰ 'Prince' নামৰ গ্ৰন্থত বাস্তৱবাদী তত্ত্বৰ আভাস পোৱা যায়। কিন্তু এই সকল পণ্ডিতৰ লিখনিত বাস্তৱবাদীক এক তাত্ত্বিক ৰূপ দিয়াৰ চেষ্টা কৰা হোৱা নাই। চিকাগো বিশ্ববিদ্যালয়ৰ অধ্যাপক Hans je Morgenthau যে প্ৰথমবাৰৰ বাবে তেওঁৰ ৰচিত কিতাপ "Political among Nations" ত ৰাজনৈতিক বাস্তৱবাদী তত্ত্বৰ সকল তাত্ত্বিক বিশ্লেষণ আগবঢ়াইছে। আৰু ইয়াৰ এক স্বকীয় ৰূপ প্ৰদান কৰিছে। সেই সম্পৰ্কে তলত দিয়া ধৰণে আলোচনা কৰা হ'ল ———

## মৰগেনথ'ৰ বাস্তৱবাদী তত্ত্ব আৰু ইয়াৰ মূল সূত্ৰ:-

বাস্তৱবাদী তত্ত্বৰ হৈতে মৰগেনথ'ৰ নাম ওতঃপ্ৰোতভাৱে জড়িত। মৰগেনথৰ বাস্তৱবাদী তত্ত্ব আদৰ্শবাদী তত্ত্বৰ বিকল্প হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছে। তেওঁৰ মতে সমগ্ৰবিশ্বৰ বাস্তৱ পৰিস্থিতিলৈ লক্ষ্য কৰিলে দেখা যায় যে চাৰিওফালে

হত্যাকাণ্ড, যুদ্ধৰ আৰিমাআৰি আৰু উত্তেজনা অব্যাহত আছে। ইয়াত প্ৰতিজন ব্যক্তি বা প্ৰতিখন ৰাষ্ট্ৰই ক্ষমতা প্ৰয়োগ কৰি নিজকে শক্তিশালী কৰিব বিচাৰে। সেইকাৰণে মৰগেনথ'ৱে কৈছে," International politics like all politics is a struggle for power." মৰগেনথ'ৱে আদৰ্শ বাদী তত্ত্বৰ উন্নয়ন কৰি ছটা মূল নীতিৰ সংযোজন কৰা দেখা যায়। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

(i) ব্যক্তি আৰু সমাজ যেনেকৈ কিছুমান নীতিৰ দ্বাৰা পৰিচালিত হয় ঠিক তেনেদৰে ৰাজনীতিও কিছুমান চিৰন্তন নীতিৰ দ্বাৰা পৰিচালিত হয়। ৰাজনৈতিক বাস্তৱবাদে এই নীতিবোৰৰ জৰিয়তে বাস্তৱ পৰিস্থিতি আৰু মানৱ চৰিত্ৰ বৈশিষ্ট্যবোৰ অধ্যয়ন কৰিব বিচাৰে।

(ii) ৰাজনৈতিক বাস্তৱবাদৰ লগত জড়িত দ্বিতীয় নীতি হৈছে জাতীয় স্বাৰ্থ। জাতীয় স্বাৰ্থ ক্ষমতাৰ যোগেদি নিৰূপণ কৰিব পাৰে। উদাহৰণস্বৰূপে— কোনো এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ লগত ৰাষ্ট্ৰখনৰ স্বাৰ্থও জড়িত হৈ আছে তেন্তে এই ক্ষেত্ৰত ৰাষ্ট্ৰখনৰ প্ৰকৃত স্বাৰ্থ অধ্যয়ন কৰিলেহে ইয়াৰ বৈদেশিক নীতিৰ উদ্দেশ্য নিৰূপণ কৰাটো সম্ভৱ হয়।

(iii) ৰাজনৈতিক বাস্তৱবাদৰ আন এবিধ নীতি হ'ল ই নৈতিক নীতিবোৰৰ ওপৰতো গুৰুত্ব দিয়ে। এই নৈতিক

নীতিবোৰে ৰাষ্ট্ৰৰ কাৰ্যকলাপৰ ক্ষেত্ৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰালৈকে ই প্ৰভাৱশালী হৈ থাকে।

(iv) ৰাজনৈতিক বাস্তৱবাদ ৰাষ্ট্ৰৰ স্বাৰ্থ আৰু ক্ষমতাৰ লগত জড়িত আছে, যদিও ই কোনো সাৰ্বজনীন সংজ্ঞা দিয়াৰ ওপৰত গুৰুত্ব নিদিয়ে। এই তত্ত্বমতে প্ৰত্যেকজন ৰাষ্ট্ৰত থকা ভৌগলিক, ৰাজনৈতিক, সাংস্কৃতিক আদি বৈশিষ্ট্যবোৰে এক পৰিৱেশৰ সৃষ্টি কৰে আৰু তেনে পৰিৱেশে ৰাষ্ট্ৰৰ স্বাৰ্থ কেনে হ'ব তাক নিৰূপন কৰে।

(v) ৰাজনৈতিক বাস্তৱবাদৰ আন এটা নীতি হৈছে ই সকলো নৈতিক মূল্যবোধৰ ওপৰত গুৰুত্ব নিদিয়ে। আনকথাত আন্ত:জাতিক ক্ষেত্ৰত ৰাষ্ট্ৰই অকল নিজস্বাৰ্থ পূৰণৰ বাবেহে প্ৰয়োজন সাপেক্ষে কিছুমান নৈতিক নীতি নিয়ম পালন কৰে সেয়েহে বাস্তৱবাদী ৰাষ্ট্ৰীয় কাৰ্যকলাপ বোৰক স্বাৰ্থ আৰু ক্ষমতাৰ পৰ্যভূমিতহে বিশ্লেষণ কৰে।

(vi) ৰাজনৈতিক বাস্তৱবাদৰ লগত জড়িত আন এটা নীতি হৈছে ৰাজনৈতিক স্বতন্ত্ৰতা। এই তত্ত্বমতে আন্ত:ৰাষ্ট্ৰীয় ৰাজনীতিক পৃথক বিষয় হিচাপে প্ৰতিষ্ঠা কৰিবলৈ হ'লে ইয়াৰ লগত জড়িত ঘটনা সমূহ আইনগত বা নৈতিক দৃষ্টিকোণৰে পৰ্যালোচনা কৰাটো বাঞ্চনীয়।

মৰগেনথ'য়ে ৰাজনৈতিক বাস্তৱবাদৰ ছয় প্ৰকাৰৰ নীতি নিৰ্ধাৰণ কৰিছে যদিও এই নীতিবোৰ সমালোচনাৰ উৰ্দ্ধত নহয়। ইয়াক বিভিন্ন সমালোচকে বিভিন্ন ধৰণে

সমালোচনা কৰা পৰিলক্ষিত হয়। সেইবোৰ তলত উল্লেখ কৰা হ'ল —

1. সমালোচক সকলৰ মতে মৰগেনথৱে ক্ষমতা সম্পৰ্কে সকলোৱে গ্ৰহণযোগ্য এটা ধাৰণা দিবলৈ সক্ষম হোৱা নাই। তেওঁৰ ৰাষ্ট্ৰীয় ক্ষমতাই কেতিয়া সংঘৰ্ষৰ ৰূপ লয় বা কেনেকৈ সামৰিক শক্তি প্ৰয়োগলৈ ৰূপান্তৰিত হয় সেই বিষয়ে উল্লেখ কৰা নাই।

2. মৰগেনথ'য়ে আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক স্বতন্ত্ৰ বুলি দাবী কৰে, কিন্তু আচৰণবাদী সকলৰ মতে কোনো বিষয়ৰ অধ্যয়ন কৰিলে সেই বিষয়টোৰ লগত জড়িত আনুসংগিক আন বিষয় সম্পৰ্কে আলোচনা কৰাটো বাঞ্ছনীয়।

3. মৰগেনথ'ৰ তত্ত্বটোৰ মতে, কোনো ৰাষ্ট্ৰই কেতিয়া বা অৰ্থনৈতিক কাৰ্য্য কৰিব পাৰে, কিন্তু প্ৰকৃততে ৰাষ্ট্ৰই সম্পাদন কৰা কোনো কাৰ্যক অৰ্থনৈতিক বুলি কব নোৱাৰি।

4. মৰগেনথ'ৰ তত্ত্বটোৱে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ পৰিসৰ সংকীৰ্ণ আৰু সৰু কৰিছে। কিয়নো তেওঁ অকল ক্ষমতা কেন্দ্ৰীক আলোচনা কৰি এই ধাৰণাটোক সীমাবদ্ধ কৰি ৰাখিছে।

Conclusion:-

মৰগেনথ'ৰ তত্ত্ব বা স্ববাদী তত্ত্বটোৰ কিছুমান দোষ ত্ৰুটি থাকিলেও এই কথা স্বীকাৰ কৰিব লাগিব যে তেওঁ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ক্ষেত্ৰত এক প্ৰত্যয়জনক আৰু ঐতিহাসিক দৃষ্টিভংগী গ্ৰহণ কৰিব পাৰিছে যাৰ বাবে এই তত্ত্বৰ কিছুমান সীমাবদ্ধতা থাকিলেও যথেষ্ট গুৰুত্ব আছে বুলি আমি কব পাৰো।

## Unit-III Balance of Power

Q.NO.3 What is National power? What are its elements. Discuss.

Answer:- Introduction:-

ৰাষ্ট্ৰীয় ক্ষমতা বুলি কওঁতে সাধাৰণতে কোনো এখন ৰাষ্ট্ৰৰ ক্ষমতাকে বুজায়। অৱশ্যে ৰাষ্ট্ৰই নিজে এই ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰে। ৰাষ্ট্ৰৰ লগত মিৰিলাক ব্যক্তি প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে সেই ব্যক্তি সকলে ক্ষমতা প্ৰয়োগ কৰে। অৰ্থাৎ প্ৰত্যক্ষভাৱে চৰকাৰৰ লগত জড়িত ব্যক্তি সকলে ক্ষমতা প্ৰয়োগ কৰাৰ সুবিধাখিনি ভোগ কৰে।

Defination of National Power:-

ৰাষ্ট্ৰীয় ক্ষমতা সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। অধ্যাপক হান্চ জে মৰগেনথ'ৰ ৰাষ্ট্ৰীয়

ক্ষমতাক আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ কেন্দ্ৰীয় অংশ বুলি গণ্য কৰি কৈছে যে, " সকলো ৰাজনীতিৰ দৰে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি হৈছে ক্ষমতাৰ বাবে চলা এক সংগ্ৰাম"

ৰবাৰ্ট ডালৰ মতে, " ৰাষ্ট্ৰীয় ক্ষমতা হৈছে সকলো অন্যান্যৰ ওলট-পালট কৰি দিব পৰা এক অভিনৱ সামৰ্থ।"

ৰাষ্ট্ৰীয় ক্ষমতাক বিশ্লেষণ কৰিলে আমি কিছুমান উপাদান পাওঁ। সেই উপাদানসমূহে ৰাষ্ট্ৰীয় ক্ষমতা আহৰণত যথেষ্ট পৰিমাণে সহায় কৰাত পৰিলক্ষিত হয়। সেই উপাদানসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

① ভৌগলিক অৱস্থা :-

ৰাষ্ট্ৰীয় ক্ষমতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু স্থায়ী উপাদান হৈছে ভৌগলিক অৱস্থা। কিন্তু এনে কিছুমান দেশ আছে যাৰ ভৌগলিক অৱস্থাই ৰাষ্ট্ৰীয় ক্ষমতাত অপৰিহাৰ্য ভূমিকা লৈছে। উদাহৰণস্বৰূপ — গ্ৰেট ব্ৰিটেনক ইংলিচ চেনেলীয়ে ইউৰোপৰ আন ৰাষ্ট্ৰবোৰৰ পৰা পৃথক কৰি ৰাখিছিল। ফলত এই ৰাষ্ট্ৰখনে শক্তিশালী ৰাষ্ট্ৰ হিচাপে আত্ম প্ৰকাশ কৰিব পাৰিছে।

② প্ৰাকৃতিক সম্পদ :-

কোনো এখন দেশৰ প্ৰাকৃতিক সম্পদে নিৰ্ণয়

চহকী হব সেই দেশখনৰ ৰাষ্ট্ৰীয় ক্ষমতা সিমান শক্তিশালী হব। প্ৰাকৃতিক সম্পদ দুটা ভাগত ভগোৱা হৈছে। যেনে — খাদ্য, সামগ্ৰী আৰু কেঁচা সামগ্ৰী। কোনো এখন দেশ শক্তিশালী হবলৈ হ'লে খাদ্য সামগ্ৰীত আত্মনিৰ্ভৰশীল হব লাগিব। খাদ্য সামগ্ৰীত আত্মনিৰ্ভৰশীল হবলৈ হ'লে নিজৰ উৎপাদন অনিবাৰ্য্য। আনহাতে খনিজ তেল আৰু খনিজ সম্পদত চহকী হব পাৰিলে সেই দেশখনে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধিৰ চৰম পৰ্য্যায়ত উপনীত হব পাৰিব। অৰ্থাৎ খাদ্য সামগ্ৰী নাটনি, দুৰ্ভিক্ষ, কেঁচা মালৰ নাটনি আদি ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধিত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে।

(iii) উদ্যোগিক সামৰ্থ্য :-

কেৱল কেঁচা সামগ্ৰী আৰু খনিজ সামগ্ৰী থাকিলেই কোনো এখন দেশ শক্তিশালী নহবও পাৰে। সেইবোৰ ব্যৱহাৰ কৰাৰ কাৰণে সুসংগঠনীয় উদ্যোগিক ব্যৱস্থা থাকিব লাগিব। উদাহৰণস্বৰূপে - আফ্ৰিকাৰ কংগো নামৰ দেশখনত প্ৰচুৰ পৰিমাণৰ প্ৰাকৃতিক সম্পদ থকা সত্ত্বেও উদ্যোগীক বিকাশৰ অভাৱৰ বাবে সেই দেশখন শক্তিশালী হব পৰা নাই।

(iv) সামৰিক প্ৰস্তুতি :-

এখন দেশৰ ক্ষমতা সিমান শক্তিশালী সেইটো সামৰিক শক্তিৰ গঠন, নেতৃত্বৰ কৰ্ম দক্ষতা আৰু

সংখ্যাগত মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থাৎ মৰগেনথ'ৰ মতে সামৰিক প্ৰযুক্তিবিদ্যাৰ উদ্ভাৱন আৰু প্ৰয়োগ, সুনেতৃত্ব আৰু সুদক্ষ সংখ্যক সামৰিক বাহিনীৰ ওপৰত ৰাষ্ট্ৰীয় ক্ষমতা প্ৰাপ্ত বৃদ্ধি নিৰ্ভৰ কৰে।

(v) জনসংখ্যা :-

জনসংখ্যাই কোনো ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধিৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান। সেয়েহে জনসাধাৰণক মানৱ সম্পদ বুলি কোৱা হয়। চীনৰ জনসংখ্যা এশ কোটি কিন্তু ওপৰ হোৱা বাবে সেইখন ৰাষ্ট্ৰীয় ক্ষমতাৰ দিশত অন্য বহু দেশতকৈ আগবাঢ়ি আছে।

(vi) ৰাষ্ট্ৰীয় চৰিত্ৰ :-

☆ জাৰ্মান চিন্তাবিদ কান্ট, হেগেল আদিয়ে কৈছে যে যিখন দেশৰ বৈশিষ্ট্যপূৰ্ণ ৰাষ্ট্ৰীয় চৰিত্ৰ আছে সেইখন দেশ সদায় শক্তিশালী আৰু সেইখন দেশৰ কেতিয়াও পৰাজিত কৰিব নোৱাৰি। ৰাষ্ট্ৰীয় চৰিত্ৰ নিজ জাতিৰ উন্নতি সাধনৰ বাবে সৰ্বতো প্ৰকাৰে চেষ্টা কৰাকে বুজায়।

(vii) ৰাষ্ট্ৰীয় মনোবল :-

কোনো এখন ৰাষ্ট্ৰৰ উন্নতি আৰু শক্তি জনসাধাৰণৰ মনোবলৰ ওপৰত নিৰ্ভৰ কৰে। দ্বিতীয় বিশ্বযুদ্ধত হিটলাৰৰ আক্ৰমণত প্ৰায় দুই কোটি ৰাছিয়ানৰ মৃত্যু হৈছিল যদিও ৰাছিয়ান সকলৰ দৃঢ় মনোভাৱৰ বাবে এই ৰাষ্ট্ৰখন সেই যুদ্ধত জয়ী হৈছিল।

(viii) চৰকাৰৰ গুণগত চৰিত্ৰ:-

কোনো এখন দেশৰ ৰাষ্ট্ৰীয় ক্ষমতা সেইখন দেশৰ চৰকাৰী কাম কাজৰ ওপৰত নিৰ্ভৰ কৰে। দেশৰ অৰ্থ-নীতি আভ্যন্তৰীন শান্তি শৃংখলা, বৈদেশিক নীতি, প্ৰতিৰক্ষা নীতি ইত্যাদি সকলো ক্ষেত্ৰতে চৰকাৰখনে সবল ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে কোনো এখন ৰাষ্ট্ৰ ক্ষমতাশালী হব পাৰে।

(ix) কূটনীতি:-

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত এখন ৰাষ্ট্ৰৰ স্থান নিৰ্ণয়কাৰী অন্যতম উপাদান হৈছে বৈদেশিক নীতি। অধ্যাপক মৰগেনথ'য়ে কূটনীতিক ৰাষ্ট্ৰীয় ক্ষমতাৰ মস্তিষ্ক আৰু ৰাষ্ট্ৰীয় মনোবল, ৰাষ্ট্ৰীয় ক্ষমতাৰ আত্মা বুলি অভিহিত কৰিছে।

(x) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা:-

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাইয়ো ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধিত যথেষ্ট সহায় কৰে। আমেৰিকা, জাপান আদি ৰাষ্ট্ৰবোৰে এইবোৰ দিশত শক্তিশালী হোৱা বাবে তেওঁলোকে বহুখিনি অৰ্জন কৰিব পাৰিছে।

ৰাষ্ট্ৰীয় ক্ষমতাৰ মূল্যায়ন:-

ৰাষ্ট্ৰীয় ক্ষমতাক মূল্যায়ন কৰিলে দেখা যায় যে ইয়াৰ কিছুমান সীমাবদ্ধতা আছে। এখন ৰাষ্ট্ৰ যিমানেই শক্তিশালী নহওঁক কিয় সেই ৰাষ্ট্ৰখনে অন্যায়ভাৱে নিজৰ ক্ষমতা বৃদ্ধি বা প্ৰয়োগ কৰিব নোৱাৰে। সৰ্বজনীন বিশ্বজনমত,

আন্তৰ্জাতিক আইন, আন্তৰ্জাতিক সংগঠন আন্তৰ্জাতি- নৈতিকতা, আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বাক্ষৰিত চুক্তি আদিয়ে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধিৰ পথত প্ৰতিবন্ধকতা আনিছে। কিন্তু এই বাধাৰ সন্মুখত নেওচি আমেৰিকাৰ নিচিনা কিছুমান ৰাষ্ট্ৰই অধিক ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰা দেখা যায়। ঠিক সেইদৰে ভাৰত পাকিস্তান ইজৰাইল, কিউবা আদি ৰাষ্ট্ৰইও কম-বেছি পৰিমাণে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধিৰ বাবে কাম কৰা দেখা যায়। অৱশ্যে আমি কব পাৰো যে, বিশ্বৰ প্ৰায় সংখ্যক ৰাষ্ট্ৰই নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধি কৰাটো প্ৰয়োজনীয় বুলি ভাবে।

—x—

**Q NO 18** — Basic Concept of International Relation

Discuss the role of Ideology. Do you think that there is decline of Ideology? [2008 (M)]

**Answer** :- 1st part Q.NO.9.

2nd part.

আদৰ্শই বৈদেশিক নীতি নিৰ্ধাৰণৰ বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলি কোৱা হয় যদিও চিন্তাবিদসকল এই বিষয়ত একমত নহয়। সাম্প্ৰতিক কালত আদৰ্শৰ গুৰুত্ব ভালেখিনি কমি আহিছে। ডেনিয়েল বেলৰ মতে সাম্প্ৰতিক

আদৰ্শ এক প্ৰকাৰ গুৰুত্বহীন হৈছে। উদাহৰণস্বৰূপে ভাৰত আৰু পাকিস্তানৰ মাজত সংঘাত, আৰব আৰু ইজৰাইলৰ মাজৰ সংঘাতক আদৰ্শৰ জৰিয়তে ব্যাখ্যা কৰিব নোৱাৰি। সেইদৰে চীন আৰু ৰাছিয়াৰ মাজৰ সংঘাতকো আদৰ্শৰ জৰিয়তে ব্যাখ্যা কৰিব নোৱাৰি। কিন্তু পালমাৰ আৰু পাৰকিনছে এই ধাৰণাক সমৰ্থন নকৰে। তেওঁলোকৰ মতে বিভিন্ন দেশত আদৰ্শৰ ভূমিকা কমি আহিছে যদিও আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত এনে ধাৰণা সঁচা নহয়। সাম্প্ৰতিক কালৰ পৰিৱৰ্তিত পৰিৱেশ আৰু পৰিস্থিতি পালমাৰ আৰু পাৰকিনছৰ ধাৰণাৰ সীমাবদ্ধতা আছে। বিভিন্ন আদৰ্শক গ্ৰহণ কৰা দেশৰ মাজত সহযোগিতা ঘটা দেখা যায়। এসময়-ত আদৰ্শৰ ভিত্তিত জাৰ্মানীক দুভাগ কৰা হৈছিল। কিন্তু বৰ্তমান পশ্চিম জাৰ্মানী আৰু পূব জাৰ্মানী লগ হোৱা কথাই প্ৰমাণ কৰিছে যে আদৰ্শৰ ভূমিকা ভালখিনি কমি আহিছে। সেয়েহে আগতে আদৰ্শই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল যদিও, সাম্প্ৰতিক কালৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত আদৰ্শৰ ভূমিকা কমি আহিছে।

Q. No. 1 Discuss the major phases of Cold war

Answer :- Introduction :-

শীতল যুদ্ধ শব্দটোৱে কোনো অশস্ত্ৰ সংঘৰ্ষ নোহোৱা কৈ দুই বা ততোধিক ৰাষ্ট্ৰৰ মাজত হোৱা ৰাজনৈতিক অবিশ্বাসৰ কথা প্ৰকাশ কৰে। শীতল যুদ্ধ বা Cold war শব্দটো প্ৰথমে বাৰ্নাৰ্ড বাৰুচ নামৰ এজন আমেৰিকাৰ চিন্তাবিদে 1947 চনত ব্যৱহাৰ কৰিছিল। পিছত ৱাল্টাৰ লিপমেন (Walter Lippmann) নামৰ পণ্ডিত এজনে এই ধাৰণা জনপ্ৰিয় কৰি তুলিছে। শীতল যুদ্ধ কেইবাটাও পৰ্যায়ত চলিছিল। ইতিহাস পৰ্যালোচনা কৰিলে তাক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

প্ৰথম পৰ্যায় (1946 - 49)

দ্বিতীয় মহাযুদ্ধৰ পিছত গণতান্ত্ৰিক আমেৰিকা আৰু সাম্যবাদী ছোভিয়েট ইউনিয়নৰ মাজত মতাদৰ্শগত পাৰ্থক্য বৃদ্ধি হব ধৰে। উভয় শিবিৰৰ মাজত পাৰস্পৰিক অবিশ্বাস আৰু সন্দেহ বৃদ্ধি হব ধৰে। দুয়োৰে মাজত সাম্যবাদী আৰু পুঁজিবাদী বিপৰীত ধৰ্মী ভাৱধাৰাই এক বিশেষ ৰূপ ধাৰণ কৰে। এইদৰে পাশ্চাত্যীয় শক্তি আৰু ছোভিয়েট ৰাছিয়াৰ মাজত অন্তঃদ্বন্দ্বই শীতল যুদ্ধৰ সৃষ্টি কৰিছিল।

## দ্বিতীয় পৰ্যায় (1949 - 53)

এই পৰ্যায়ত শীতল যুদ্ধ এশিয়া মহাদেশত পৰিস্ফুট হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই এই সময়ত 1951 চনত অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ সৈতে আৰু ছুবাৰ জাপানৰ সৈতে শান্তি চুক্তি সম্পাদন কৰিছে। আকৌ 1950 চনত কোৰিয়াৰ যুদ্ধই ছোভিয়েট আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সম্পৰ্কৰ যথেষ্ট অৱনতি ঘটাইছিল এই যুদ্ধত ছোভিয়েট ৰাছিয়াই উত্তৰ কোৰিয়া আৰু আমেৰিকাই দক্ষিণ কোৰিয়াৰ হৈ প্ৰকাশ্য প্ৰচাৰত নামি পৰিছিল। যুদ্ধ অন্ত কৰাৰ বাবে দুয়োখন দেশৰ মাজত সাময়িক চুক্তি সম্পাদন হৈছিল যদিও এই চুক্তি ফলপ্ৰসু হোৱা নাছিল।

## তৃতীয় পৰ্যায় (1953 - 57)

শীতল যুদ্ধৰ এই পৰ্যায়ত আমেৰিকাই ছোভিয়েট ইউনিয়নৰ বিৰোধিতা কৰাৰ বাবে পূৰ্বৰ দৰেই অৰ্থনৈতিক আৰু সামৰিক প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল। আমেৰিকাই এই সময়তে SEATO (South-East Asia Treaty Organisation), MEDO (Middle-East Defence Organisation), NATO (North Altantic Treaty Organisation) আদিকে ধৰি 43খন ৰাষ্ট্ৰৰ সৈতে প্ৰতিৰক্ষা চুক্তিত আবদ্ধ হৈছিল। ঠিক তেনেকৈ ছোভিয়েট ইউনিয়নেও ৱাৰ্চ চুক্তি (Warsaw Treaty) সম্পাদন কৰিছিল। ছোভিয়েট আৰু আমেৰিকা উভয়েই এই সময়ত হাইড্ৰ'জেন বোমা, বিস্ফোৰণ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। অৱশ্যে এই পৰ্যায়ত দুয়োটা শিবিৰে পাৰস্পৰিক সমস্যা সমাধানৰ বাবে আলোচনাত বহাৰ কাৰণে সন্মতি প্ৰকাশ কৰে।

## চতুৰ্থ পৰ্যায় (1957 - 62)

শীতল যুদ্ধৰ এই চতুৰ্থ পৰ্যায়ত দুটা গুৰুত্বপূৰ্ণ বিপৰীত-ধৰ্মী ঘটনা সংঘটিত হোৱা দেখা যায়। প্ৰথমতে ৰাছিয়া বা আমেৰিকাৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু দ্বিতীয়তে কিউবাৰ ক্ষেপনাস্ত্ৰ সমস্যাৰ উদ্ভৱ, লগতে তাৰ ফল তৃতীয় বিশ্বযুদ্ধৰ সম্ভাৱনা অৱশেষ্য তদানীন্তন ৰাছিয়াৰ ৰাষ্ট্ৰপতি ক্ৰুছেভ আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি কেনেডিৰ মাজত হোৱা চুক্তিমতে কিউবা সংঘাত সমাধান কৰা হয়।

## পঞ্চম পৰ্যায় (1962 - 69)

শীতল যুদ্ধৰ পঞ্চম পৰ্যায় সামৰিক অস্ত্ৰ নিষ্ফলতা আৰু ইয়াৰ বিৰুদ্ধে বিশ্বজুৰি হোৱা প্ৰতিবাদৰ ফলত আমেৰিকা আৰু ছোভিয়েট ৰাছিয়া আদিয়ে 1963 আৰু 1969 চনত Partial Nuclear Test Ban Treaty সম্পাদন কৰে। ইয়াৰ উপৰিও 1968 চনত Nuclear Non-proliferation Treaty of weapons স্বাক্ষৰ হয়। (এইবাৰ শক্তিৰ ওপৰিও আমেৰিকা, ৰাছিয়া, ইংলেণ্ড আদি ৰাষ্ট্ৰই অন্য ৰাষ্ট্ৰক পাৰমানবিক প্ৰযুক্তি হস্তান্তৰ নকৰা বিষয়ত ঐক্যমতত উপনীত হয়)। এই পৰ্যায়তো শীতল যুদ্ধৰ উত্তেজনা হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হয়।

## ষষ্ঠ পৰ্যায় (1969 - 78)

শীতল যুদ্ধৰ পঞ্চম পৰ্যায়ৰ দৰে ষষ্ঠ পৰ্যায়তো বৃহৎ শক্তি গোষ্ঠীৰ মাজত ক্ৰমবৰ্ধমান সহযোগিতাৰ বাতাবৰণ সৃষ্টি কৰাৰ চেষ্টা অব্যাহত আছিল। এই পৰ্যায়ত আমেৰিকা ছোভিয়েট ৰাছিয়াৰ মাজত এক শান্তি ভাৱাপন্ন মনোভাৱৰ

পৰিৱৰ্তে স্বাভাৱিক বাণিজ্যিক, সাংস্কৃতিক, প্ৰযুক্তিগত কৌশল বিনিময় ইত্যাদি স্থ সম্পৰ্ক স্থাপন হৈছিল।

সপ্তম পৰ্যায় (

1970 চনত ছোভিয়েট ইউনিয়নেৰে পশ্চিম জাৰ্মানীৰ সৈতে হোৱা চুক্তি, 1972 চনত পশ্চিম আৰু পূৰ্ব জাৰ্মানীৰ মাজত হোৱা চুক্তি, 1973 চনত ছোভিয়েট সাম্যবাদী নেতা ব্ৰেজনেভৰ আমেৰিকা ভ্ৰমণ। 1975 চনৰ হেলছিংকি চুক্তি আদিয়ে আমেৰিকা আৰু ছোভিয়েটৰ মাজত এক সুস্থ বাতাবৰণ সৃষ্টি কৰিছিল। তথাপিও এই পৰ্যায়ত 1971 চনৰ বাংলাদেশৰ স্বাধীনতা আন্দোলন 1973 চনৰ ইজিপ্তই ইজৰাইল আদিত যুদ্ধ, ইৰানত আমেৰিকাৰ সামৰিক ঘাটি স্থাপন আদিয়ে দুয়োখন মহাশক্তিৰ মাজত বিপৰীত স্থিতিহে গ্ৰহণ কৰিছিল। শীতল যুদ্ধৰ এই পৰ্যায়ত মুক্তাস্ত্ৰ ক্ৰীড়া কৰণ সম্পৰ্কত পূৰ্বৰ সিদ্ধান্ত সমূহ মানি চলা হৈছিল। SALT II ৰ জৰিয়তে 1977 চনত মাৰ্কিন ৰাষ্ট্ৰপতি জে.মি. কাৰ্টাৰ, আৰু ছোভিয়েট ৰাষ্ট্ৰপতি ব্ৰেজনেভৰ মাজত সামৰিক ই নীতি - ওভেন্সিভ অস্ত্ৰ পাৰমাণৱিক অস্ত্ৰ ক্ৰীড়া কৰা, অন্যান্য ক্ষেত্ৰত নিৰস্ত্ৰীকৰণ ব্যৱস্থা গ্ৰহণ কৰা আদি চলমান বিষয়ত সহমত পোষণ কৰাত দুয়োখন মহাশক্তিৰ মাজৰ সম্পৰ্ক স্বাভাৱিক হওঁক SALT-II বুলি দিয়ে। এই সহমত পোষণ কৰা চুক্তিখনক SALT-II বুলি কোৱা হয়। 1976 চনৰ পৰা আৰম্ভ হোৱা আফগানিস্তানৰ ৰাজনৈতিক উত্থান-পতনৰ প্ৰক্ৰিয়াত ছোভিয়েট আৰু আমেৰিকা সোমাই পৰাৰ বাবে এই সম্পৰ্কত আকৌ ফাট মেলে।

কিন্তু ইতিমধ্যে 1991 চনত ছোভিয়েট ইউনিয়নৰ সাম্যবাদী শাসনৰ পতন, আফগানিস্তানত মৌলবাদৰ

উত্থান আদি ঘটনাক্ৰমত সোভিয়েট ৰাছিয়াৰ শক্তি বৃদ্ধি পাৰে আৰু আমেৰিকাৰ লগত সেও সমকক্ষ নোহোৱা হয়। এইদৰে বিশ্ব ৰাজনীতি উত্থাল কৰি ৰখা শীতল যুদ্ধৰ অৱসান ঘটে।

## Conclusion:-

ওপৰৰ আলোচনাৰ পৰা আমি আমুমানিক কৰি পাৰো যে শীতল যুদ্ধই সমগ্ৰ বিশ্বৰ ৰাজনীতিত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি ৰাখিছিল। এই যুদ্ধৰ অৱসানে বিশ্ববাসীক এক স্বস্তিৰ নিশ্বাস পেলুৱাত সহায় কৰিছে।

— x —

**Q No. 2.** What is cold war? Discuss its origin and impaction on world politics. *

**Answer:-** Introduction:-

শীতল যুদ্ধ শব্দটোৱে কোনো দুই বা ততোধিক ৰাষ্ট্ৰৰ মাজত কোনো অস্ত্ৰশস্ত্ৰ সংঘৰ্ষ নোহোৱাকৈ ৰাজনৈতিক, অৰ্থনৈতিক আৰু চৰমদশাৰ ক্ষেত্ৰত চলা অঘোষিত প্ৰতি-যোগিতাৰ কথা বুজায়। "A dictionary of politics" নামৰ গ্ৰন্থত ফ্লৰেন্স এলিয়ট আৰু মাইকেল চুমাচাৰে শীতল যুদ্ধৰ সংজ্ঞা এইদৰে দাঙি ধৰিছে,— "A state of tension between countries in which one adopts politics designed to strengthen itself

and weaken the other line being short of actual hot war."

গতিকে শীতল যুদ্ধ বুলি কলে আন্তৰ্জগতত পৰোক্ষ পদ্ধতিত কোনো দুখন বা ততোধিক ৰাষ্ট্ৰই পৰস্পৰৰ পৰস্পৰক দুৰ্বল কৰিবলৈ সৰ্বতো প্ৰকাৰৰ চেষ্টা কৰাৰ কথা বুজায়। বহু পণ্ডিতৰ মতে বিশ্বৰ দুই মহাশক্তিধৰ গোষ্ঠী চোভিয়েট ইউনিয়ন আৰু আমেৰিকাৰ ভাবাদৰ্শগত পাৰ্থক্য আৰু পৰস্পৰৰ পৰস্পৰক প্ৰতি পোষণ কৰা প্ৰতিযোগিতামূলক আৰু কু অভিসন্ধিক কাৰ্যকলাপক মূলতে শীতল যুদ্ধ বুলি অভিহিত কৰিব পাৰি।

## শীতল যুদ্ধৰ উৎপত্তিঃ-

শীতল যুদ্ধ শব্দটোৰ পোন প্ৰথমে বাৰ্ণাৰ্ড বাৰুচ নামৰ আমেৰিকাৰ এজন ৰাজনীতিবিদে 1947 চনত উচ্চাৰণ কৰে যদিও ইয়াৰ উৎপত্তি আগতে হৈছিল। পিছত ৱাল্টাৰ লিপমেনে এই ধাৰণাটোক জনপ্ৰিয় কৰি তুলে।

বিশ্বত শীতল যুদ্ধৰ আৰম্ভণি কেতিয়া হ'ল, সেইলৈ ৰাজনৈতিক চিন্তাবিদসকলৰ মাজত মতভেদ আছে। কিছুমান চিন্তাবিদৰ মতে 1917 চনত হোৱা ৰুছ বিপ্লৱৰ পিছৰ পৰাই শীতল যুদ্ধৰ আৰম্ভণি হৈছে। আনহাতে, আন কিছুমানৰ মতে ঊনৈশ শতিকাত মধ্য এচিয়াত নিজৰ প্ৰতিপত্তি প্ৰতিষ্ঠাৰ বাবে চোভিয়েট ৰাছিয়া আৰু ব্ৰিটেইনৰ মাজত তীব্ৰ হোৱা প্ৰতিযোগিতাৰ সময়ৰ পৰাই শীতল যুদ্ধৰ আৰম্ভণি ঘটে। আন

কিছুমানৰ মতে আকৌ বৃটিছ প্ৰধানমন্ত্ৰী চৰ্চিলে 1946 চনত দিয়া ভাষণৰ ফলতেই শীতল যুদ্ধৰ আৰম্ভণি হয় বুলি অভিমত প্ৰকাশ কৰে। কিন্তু বিশিষ্ট সংখ্যক ৰাজনীতি চিন্তাবিদৰ মতে দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰাহে শীতল যুদ্ধৰ আৰম্ভণি ঘটে। তেওঁলোকৰ মতে দ্বিতীয় মহাসমৰৰ পিছত সাম্যবাদী ভাৱধাৰাৰে পৰিপুষ্ট ছোভিয়েট ৰাছিয়া এক উল্লেখযোগ্য শক্তিশালী ৰাষ্ট্ৰত পৰিণত হয়। আনহাতে আমেৰিকাতো পুঁজিবাদী ভাৱধাৰাৰ দুৰন্ত বিকাশ ঘটে।

গতিকে ছোভিয়েট ৰাছিয়াৰ সাম্যবাদ আৰু আমেৰি-কাৰ পুঁজিবাদক কেন্দ্ৰ কৰি বিশ্বত যি দুটা শিবিৰ ঘটিত হ'ল তাৰেই পৰিণতিত শীতল যুদ্ধৰ আৰম্ভণি ঘটে। ☆

দ্বিতীয় মহাযুদ্ধৰ পিছত পূব ইউৰোপৰ ৰাষ্ট্ৰসমূহত ছোভিয়েটৰ প্ৰাধান্য প্ৰতিষ্ঠিত হৈছিল। আনহাতে, পশ্চিম ইউৰোপত আমেৰিকাৰ প্ৰাধান্য আছিল। ইতিমধ্যে এটম বোমাৰ আৱিষ্কাৰ, হাইড্ৰজেন বোমা উদ্ভৱ আদিয়েও শীতল যুদ্ধৰ সৃষ্টি কৰাত ইন্ধন যোগাইছিল। এই শীতল যুদ্ধ প্ৰায় 15 বছৰ কাল চলিছিল। আনহাতে আন কিছুমানৰ মতে ছোভিয়েট ইউনিয়নৰ পতনৰ সময়লৈকে কম-বেছি পৰিমাণে শীতল যুদ্ধৰ প্ৰভাৱ আছিল।

**শীতল যুদ্ধৰ প্ৰতিক্ৰিয়া (impaction on Cold war):-**

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত বিশ্বৰ জনগণ এক শান্তিময়

পৰিৱেশত বাস কৰাৰ ধাৰণা কৰিছিল । কিন্তু এই বৃহৎ শক্তি গোষ্ঠী আমেৰিকা আৰু ছোভিয়েট ৰাষ্ট্ৰৰ মাজত হোৱা শীতল যুদ্ধই জনসাধাৰণৰ মাজত শান্তিৰ পৰিবৰ্তে উত্তেজনাহে সৃষ্টি কৰিছিল । ফলস্বৰূপে ৰাষ্ট্ৰসমূহৰ ওপৰত শীতল যুদ্ধৰ কুপ্ৰভাৱ পৰিছিল । যেনেহে শীতল যুদ্ধৰ প্ৰভাৱসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

(i) উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি :-

দ্বিতীয় মহাযুদ্ধৰ পিছত বিভিন্ন দিশত দেখা দিয়া সমস্যা সমূহ সমাধান কৰাৰ পৰিবৰ্তে কূটনীতিবিদসকলে কেনেকৈ এখন দেশে আন এখন দেশক দুৰ্বল কৰি ৰাখিব পাৰি তাৰ উপায় উদ্ভাৱন কৰাত ব্যস্ত হৈ পৰিল । এনে পৰিস্থিতিত যুদ্ধৰ পিছত দেখা দিয়া সমস্যা সমূহ সমস্যা হৈয়ে থাকে ।

(ii) ঐক্যবদ্ধ বিশ্ব ৰাষ্ট্ৰ গঠনৰ ধাৰণা দুলিস্যা :-

দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় উন্নতি ঘটে । সেইদৰে যোগাযোগৰ মাধ্যমৰো চৰম বিকাশ ঘটে । গতিকে বিশ্বৰ জনসাধাৰণৰ মনত এক বিশ্বৰাষ্ট্ৰ গঠনৰ ধাৰণা গঢ়ি উঠিছিল যদিও শীতল যুদ্ধৰ সৃষ্টিয়ে সেই ধাৰণাক দুলিস্যাত কৰি দিয়ে ।

(iii) অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতা :-

শীতল যুদ্ধৰ ফলত দুই বৃহৎ শক্তিবৰ্গৰ ৰাষ্ট্ৰ গোষ্ঠীৰ

মাজত অমূল অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতা আৰম্ভ হৈছি
প্ৰতিযোগি ৰাষ্ট্ৰবোৰে কোটি কোটি টকা ব্যয় কৰি
অস্ত্ৰ শস্ত্ৰ বৃদ্ধি কৰিছিল। প্ৰায় প্ৰতিখন ৰাষ্ট্ৰৰ প্ৰতি
বাজেট অভাৱনীয় হাৰত বৃদ্ধি হৈছিল। অত্যাধুনিক
মাৰণাস্ত্ৰৰ সৃষ্টিয়ে বিশ্বৰ জনসাধাৰণক ভয়াবহ পৰি-
-স্থিতিত ইংগিত দিছিল।

(iv) সামৰিক মিত্ৰতাৰ সৃষ্টি :-

শীতল যুদ্ধৰ ফলত আমেৰিকা যুক্ত ৰাষ্ট্ৰ আৰু ইয়া
মিত্ৰজোটৰ মাজত NATO অৰ্থাৎ North Atlantic Trea
গঠন হ'ল। সেইদৰে আমেৰিকাৰ দৃষ্টান্তক অনুসৰণ কৰি
ছোভিয়েট ইউনিয়ন আৰু ইয়াৰ মিত্ৰ ৰাষ্ট্ৰবোৰৰ মাজত
ওৱাৰ্চ চুক্তি সম্পাদন হয় এই সামৰিক চুক্তিয়ে বিশ্ব
ৰাজনীতি উত্তপ্ত কৰি তুলিছিল।

(v) ৰাষ্ট্ৰসংঘৰ প্ৰতি ভাবুকি :-

শীতল যুদ্ধই ৰাষ্ট্ৰ সংঘৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছি
কাৰণ এই সময়ছোৱাত প্ৰতিদ্বন্দ্বী ৰাষ্ট্ৰবোৰে পাৰস্পৰিক
বিৰোধিতামূলক নীতি গ্ৰহণ কৰাত ৰাষ্ট্ৰ সংঘই গুৰুত্বপূৰ্ণ
বিষয়ত সুস্থিৰ সিদ্ধান্ত লব পৰা নাছিল ফলত ৰাষ্ট্ৰ
সংঘৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছিল।

(vi) গোষ্ঠী নিৰপেক্ষ ধাৰণাৰ সৃষ্টি :-

দ্বিতীয় মহাযুদ্ধৰ পিছত আফ্ৰিকা, এচিয়া আৰু লেটি

আমেৰিকাৰ বহু সৰু সৰু ৰাষ্ট্ৰ স্বাধীন হৈ এটি সংস্থা গঠন কৰিছিল। সেই সংস্থাটোক গোষ্ঠী নিৰপেক্ষ আন্দোলন (Non Alient Movement) বুলি কোৱা হয়।

(vii) শীতল যুদ্ধৰ ফলত সৰু সৰু ৰাষ্ট্ৰৰ গুৰুত্ব বৃদ্ধিঃ

শীতল যুদ্ধৰ ফলত সৰু সৰু ৰাষ্ট্ৰ গোষ্ঠী নিজৰ ফলীয়া কৰিবৰ বাবে বৃহৎ শক্তি গোষ্ঠী ৰাষ্ট্ৰবোৰে প্ৰচেষ্টা চলাইছিল। ইয়াৰ ফলত কিউবাৰ নিচিনা বহু সৰু ৰাষ্ট্ৰ আন্তৰ্জাতিক পৰ্য্যায়ত গুৰুত্বপূৰ্ণ আসন দখল কৰিব পাৰিছিল।

## Conclusion

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে শীতল যুদ্ধই বিশ্ব ৰাজনীতিত উত্তেজনাৰ সৃষ্টি কৰিছিল। এই যুদ্ধই দুই এটা সৰু সৰু সু প্ৰভাৱ পেলালেও ইয়াৰ কু প্ৰভাৱবিলাকে বিশ্ব ৰাজনীতিত এক শোচনীয় ৰূপ দিছিল। ই বিশ্ব ভ্ৰাতৃত্ব-বোধৰ পৰিবৰ্তে ঘৃণাৰ সৃষ্টি কৰিছিল। সেয়েহে শীতল যুদ্ধৰ অৱসান হোৱা বাবে সমগ্ৰ মানৱজাতি এক ভয়াবহ পৰিস্থিতিৰ পৰা মুক্তি পোৱা বুলি কব পাৰি।

— x —

Q No. 19 Discuss the Collective Security System Out side the lig of Nations.

**Answer :- Introduction :-**

সামূহিক নিৰাপত্তা বুলিলে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত আক্ৰমনকাৰী ৰাষ্ট্ৰবিলাকে গ্ৰহন কৰা স্থিতিৰ প্ৰতি সামৰিক ব্যৱস্থাক প্ৰকাশ কৰে। এনে ব্যৱস্থাৰ ফলত্বহে আক্ৰমনকাৰী ৰাষ্ট্ৰৰ ক্ষমতা প্ৰতিৰোধ কৰিব পাৰি। সামূহিক নিৰাপত্তাৰ কাৰণে জাতি সংঘই কিছুমান ব্যৱস্থা গ্ৰহন কৰিছিল যদিও জাতি সংঘৰ বাহিৰ-ত সামূহিক নিৰাপত্তাৰ কাৰণে আন কিছুমান ব্যৱস্থা গ্ৰহন কৰা দেখা যায়। সেইবোৰৰ তলত দিয়া বৰ্ণনা আলোচনা কৰিব পাৰি ——

① ফ্ৰান্সৰ মিত্ৰতা সমূহ :-

প্ৰথম আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ মাজৰ সময়চোৱা জাৰ্মানীয়ে ~~ভাৰ্চাই~~ ভাৰচাই সন্ধিৰ প্ৰতিক্ৰিয়াত উগ্ৰজাতি-য়তাবাদী নীতি গ্ৰহন কৰি ইউৰোপীয়া ৰাষ্ট্ৰ সমূহৰ বাবে ভাবুকিৰ সৃষ্টি কৰিছিল। এই কাৰ্য্যক প্ৰতিহত কৰি ফ্ৰান্সে নিজৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে কিছুমান ৰাষ্ট্ৰৰ লগত মিত্ৰতা গাঢ় তুলিছিল। এই মিত্ৰতা বিলাকক লোকাৰ্নো চুক্তি বুলি কোৱা হয়। সেই বিলাকৰ ভিতৰত প্ৰধান চুক্তি বিলাক হ'ল — ফ্ৰান্স- বেলজিয়াম চুক্তি, ফ্ৰান্স পোলেণ্ড চুক্তি, ফ্ৰান্স আৰু যুগো চেকশ্লাভিয়া চুক্তি,

ফ্ৰান্স ৰোমানিয়া চুক্তি আদি ।

(ii) ক্ষুদ্ৰ মৈত্ৰী সমূহ :-

প্ৰথম বিশ্ব যুদ্ধৰ পিছত 1919 চনত চেকশ্লোভাকিয়া, যুগোশ্লাভিয়া আৰু ৰোমানিয়াই ফ্ৰান্সৰ সৈতে মিত্ৰতাপাকত আবদ্ধ হৈছিল আৰু অন্যান্য কিছুমান ৰাষ্ট্ৰৰ সৈতেও মিত্ৰতা কৰিছিল । এই চুক্তিৰ মূল উদ্দেশ্য আছিল ইউৰোপৰ শান্তি ব্যৱস্থাপনাক ৰক্ষা কৰা । 1922-23 চনৰ ভিতৰত সেই ৰাষ্ট্ৰ বিলাকৰ মাজত সহযোগিতা বৃদ্ধি পাইছিল আৰু তেওঁলোক জাতি সংঘতো ঐক্যবদ্ধভাৱে কাম কৰাৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল । এই চুক্তিখনক ক্ষুদ্ৰ মৈত্ৰী চুক্তি বুলি কোৱা হয় ।

(iii) ইটালীৰ মিত্ৰতা সমূহ :-

ফ্ৰান্সৰ নিচিনাকৈ ইটালীয়েও ইয়াৰ ভৱিষ্যৎ সুৰক্ষাৰ কাৰণে চুবুৰীয়া তথা সমমনোভাৱাপন্ন কিছুমান ৰাষ্ট্ৰৰ সৈতে মৈত্ৰী চুক্তি সম্পাদন কৰিছিল । ইটালীয়ে 1934 চনত অষ্ট্ৰিয়া আৰু হাংগেৰীৰ মৈত্ৰী চুক্তি সম্পাদন কৰি ইউৰোপত শান্তি স্থাপন কৰিব বিচাৰিছিল । সেই সময়তে ইটালীয়ে ৰোম প্ৰটকলত স্বাক্ষৰ কৰিছিল । 1936 চনত ইটালীৰ নেতৃত্বত ৰোম, বাৰ্লিনৰ অক্ষ প্ৰতিষ্ঠা হৈছিল । এই ব্যৱস্থাৰ জৰিয়তে ইটালীয়ে জাৰ্মানীৰ সৈতে সু সম্পৰ্ক গঢ়ি তুলি দুয়োখন দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত পৰস্পৰে পৰস্পৰক সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল

(iv) মৈত্ৰীপূৰ আৰু চুদাবাদ চুক্তি :-

1937 [illegible] ইৰাক, ইৰান আৰু

# Collective Security

তুৰ্কীৰ মাজত চদাবাদ চুক্তি স্বাক্ষৰ হৈছিল। এই চুক্তি-খনে উক্ত ৰাষ্ট্ৰ কেইখনৰ ভৌগলিক অখণ্ডতাৰ আৰু আভ্যন্তৰিক নিৰাপত্তা ৰক্ষাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছিল

## (v) বাল্টিক চুক্তি:-

1944 চনত লাটভিয়া লিথুৱানিয়া আৰু ইষ্টোনিয়াৰ মাজত পাৰস্পৰিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল। এই ৰাষ্ট্ৰকেইটাৰ সৰু সৰু ৰাষ্ট্ৰ হোৱা বাবে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নিৰপেক্ষ ভূমিকা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল

## (vi) ৰোম চুক্তি:-

1933 চনত ইটালী, ইংলেণ্ড, ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত ইটালীৰ ৰাজধানী ৰোমত এখন চুক্তি স্বাক্ষৰিত হৈছিল। এই চুক্তিৰ জৰিয়তে যুদ্ধৰ বাধা দি ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশৰ সমস্যা সমূহ পাৰস্পৰিক আলাপ আলোচনাৰ জৰিয়তে সমাধান কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।

## (vii) ব্ৰায়েণ্ডৰ ইউৰোপীয় সংঘৰ পৰিদৰ্শন :-

1929 চনত ফ্ৰান্সৰ ৰাজনীতিবিদ ব্ৰায়াণ্ডে ইউৰোপৰ ৰাষ্ট্ৰ সমূহৰ নিৰাপত্তা সুদৃঢ় কৰাৰ উদ্দেশ্যে বিভিন্ন 26 খন ৰাষ্ট্ৰলৈ চিঠি প্ৰেৰণ কৰিছিল। কিন্তু ব্ৰায়েণ্ডৰ এই পৰিকল্পনা সফল হোৱা নাছিল।

## (viii) লণ্ডন সন্মতি পত্ৰ:-

ৰোম চুক্তিক সোভিয়েট ৰাছিয়াই তাৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰ বুলি ভাবি ই আফগানিস্তান, ইষ্টোনীয়া, লাটভীয়া,

লিথুৱানীয়া, ইৰান, পোলেণ্ড আদি ৰাষ্ট্ৰৰ মাজত তিনিখন চুক্তিৰ খচৰা প্ৰস্তুত কৰিছিল । এই চুক্তিৰ উদ্দেশ্য আছিল পাৰস্পৰিক সাহায্য আৰু আক্ৰমণকাৰীৰ বিৰুদ্ধে সামৰিক ব্যৱস্থা গ্ৰহণ কৰা ।

(IX) স্কেণ্ডিনেভিয়ান গোষ্ঠী :-

1934 চনত ডেনমাৰ্ক, নৰৱে, চুইডেন, আয়াৰলেণ্ড আৰু ফিনলেণ্ডৰ মাজত পাৰস্পৰিক নিৰাপত্তা আৰু সহযোগিতা বৃদ্ধিৰ কাৰণে এখন চুক্তি স্বাক্ষৰিত হৈছিল । সেই ৰাষ্ট্ৰবোৰ সাগৰীয় পাৰৰ ৰাষ্ট্ৰ হোৱাৰ বাবে এইবোৰক স্কেণ্ডিনেভিয়ান গোষ্ঠী বুলি কোৱা হয় ।

## Conclusion :-

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ মাজৰ সময়চোৱাত বিশ্বৰ বিভিন্ন প্ৰান্তত বিশেষকৈ ইউৰোপীয় ৰাষ্ট্ৰসমূহৰ মাজত বিভিন্ন নিৰাপত্তা-মূলক চুক্তি স্বাক্ষৰিত হৈছিল । জাৰ্মানীত হিটলাৰে উগ্ৰ জাতীয়তাবাদী নেতৃত্বৰ ভিত্তিত চৰকাৰ গঠন কৰাৰ সময়ৰ ফ্ৰান্সকে আদি কৰি বিভিন্ন ৰাষ্ট্ৰই সামূহিক নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰিছিল । এইবোৰৰ এনে ব্যৱস্থা কাৰ্যকৰী হোৱা নাছিল যদিও সামূহিক নিৰাপত্তাৰ ব্যৱস্থাপনাক জাতিসংঘৰ বাহিৰতো এইবোৰে যথেষ্ট পৰিমাণে প্ৰভাৱবিস্তাৰ কৰিছিল বুলি আমি কব পাৰিব ।

—x—

Q. No. 10. Define Collective Security. Discuss the collective security system inside the Lig of Nations.

Answer :- Introduction :-

সামূহিক নিৰাপত্তা বুলিলে আন্তঃৰাষ্ট্ৰীয় সংঘৰ্ষৰ ক্ষেত্ৰত আক্ৰমনকাৰী ৰাষ্ট্ৰবিলাকে গ্ৰহন কৰা প্ৰতি আক্ৰমন বা প্ৰতি সামৰিক ব্যৱস্থাকে প্ৰকাশ কৰে। এনে ব্যৱস্থাৰ ফলতহে আক্ৰমনকাৰী ৰাষ্ট্ৰৰ ক্ষমতা প্ৰতিৰোধ কৰিব পাৰি। সামূহিক নিৰাপত্তা ব্যৱস্থা কাৰ্যকৰী কৰিবৰ কাৰণে আন্তৰ্জাতিক অনুষ্ঠানৰ প্ৰয়োজন আৰু এনে অনুষ্ঠান গঠন কৰিহে সামূহিক নিৰাপত্তা ব্যৱস্থা কাৰ্যকৰী কৰিব পাৰি। সামূহিক নিৰাপত্তা সম্পৰ্কে বিভিন্ন ৰাজনৈতিক চিন্তাবিদে সংজ্ঞা আগবঢ়োৱা পৰিলক্ষিত হয়। সেইবোৰ তলত উল্লেখ কৰা হ'ল ——

According to T.H. Hartman, "Collective Security is basically a mutual insurance plan against aggression any where and every where."

"George Schwarzenberger has defiend

collective Security as machinery for joint action in order to prevent or counter any attempt against established international order."

জাতিসংঘ আৰু সামূহিক নিৰাপত্তা ব্যৱস্থা :-

জাতি সংঘৰ চুক্তি পত্ৰৰ ১০-১৫ নং অনুচ্ছেদলৈকে সামূহিক নিৰাপত্তাৰ বিষয়ে উল্লেখ আছে। ১০ নং অনুচ্ছেদ অনুসৰি জাতিসংঘৰ প্ৰতিজন সদস্য ৰাষ্ট্ৰই বহিঃ আক্ৰমণৰ বিৰুদ্ধে আন সকলো ৰাষ্ট্ৰৰ আঞ্চলিক অখণ্ডতা আৰু ৰাজনৈতিক স্বাধীনতা ৰক্ষা কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

জাতি সংঘৰ ১৬ নং অনুচ্ছেদ অনুসৰি যদি কোনো ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ সৈতে উত্থাপিত কোনো বিষয়ৰ বিবাদ ন্যায়িক মিমাংসাৰ মধ্যস্থতা বা লীগ পৰিষদৰ যোগেদি সমাধান কৰাৰ চেষ্টা নকৰি যুদ্ধৰ আশ্ৰয় লয় তেন্তে সেই যুদ্ধখনক জাতিসংঘৰ আন সদস্য ৰাষ্ট্ৰবোৰে নিজৰ বিৰুদ্ধে আক্ৰমণ বুলি গণ্য কৰিব আৰু তেনে আক্ৰমণ প্ৰতিহত কৰাৰ বাবে সামূহিক নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰিব।

প্ৰথম বিশ্ব যুদ্ধৰ পিছত ইউৰোপত সামূহিক নিৰাপত্তা ব্যৱস্থা কাৰ্যকৰী কৰিবৰ কাৰণে জাতিসংঘৰ

প্ৰথম অধিৱেশনত "পাৰস্পৰিক সাহাৰ্য্যৰ খচৰা প্ৰস্তুত চুক্তি" প্ৰস্তুত কৰিছিল। এই চুক্তিখন নিৰস্ত্ৰীকৰণ ব্যৱস্থাৰ সৈতে জড়িত আছিল যদিও ইউৰোপৰ সামূহিক নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত ইয়াৰ যথেষ্ট অৱদান আছিল।

সামূহিক নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত 1928 চনৰ জেনেভা প্ৰটকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই প্ৰটকলে আক্ৰমনাত্মক যুদ্ধক আন্তঃৰাষ্ট্ৰীয় অপৰাধ বুলি গন্য কৰিছিল। 1920 চনত গঠন হোৱা জাতি সংঘই প্ৰায় এক দশক কাল ইউৰোপৰ সামূহিক নিৰাপত্তা ৰক্ষা কৰাত সফল হৈছিল যদিও পৰৱৰ্তি সময়ছোৱাত বিশেষ কিছুমান কাৰণত জাতিসংঘই সামূহিক নিৰাপত্তা ব্যৱস্থা কাৰ্য্যকৰী কৰাত ব্যৰ্থ হৈছিল। এই ব্যৰ্থতাৰ মূলতে জাতিসংঘৰ কিছুমান সমস্যাও জড়িত আছিল।

## জাতি সংঘৰ সামূহিক নিৰাপত্তাৰ ব্যৱস্থাৰ সমস্যাসমূহ

জাতিসংঘই সামূহিক নিৰাপত্তা ৰক্ষা কৰাত বিশেষ সমস্যাৰ সন্মুখীন হৈছিল। সেই সমস্যাসমূহ আমি তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

1. জাতিসংঘৰ সদস্যপদ সাৰ্বজনীন নাছিল। আমেৰিকা, ৰাছিয়া আদিৰ (প্ৰথমতে) দৰে বৃহৎ ৰাষ্ট্ৰবিলাক জাতিসংঘৰ সদস্য হোৱা নাছিল। অৱশ্যে ৰাছিয়া, বহুবছৰ পিছতহে জাতিসংঘৰ সদস্য হৈছিল।

2. 1921 চনত লীগ সভাই যি বাধ্যতামূলক প্ৰস্তাৱ গ্ৰহণ কৰিছিল সেই প্ৰস্তাৱে জাতিসংঘৰ 16 নং অনুচ্ছেদত বাধ্য-বাধকতা বহু পৰিমাণে শিথিল কৰিছিল।

3. এই বাধ্যতামূলক প্ৰস্তাৱৰ ফলত প্ৰতিখন সদস্য ৰাষ্ট্ৰই আন্তৰ্জাতিক আইন ভংগ কৰিলে তাক নিজেই বিবেচনা কৰিব পাৰিছিল আৰু শান্তি সম্পৰ্কেও তয়াত হ'ব পাৰিছিল।

4. জাতিসংঘই আক্ৰমণ প্ৰতিৰোধ কৰিবৰ বাবে কোনো সুকীয়া নীতি গ্ৰহণ কৰা নাছিল।

5. জাতিসংঘৰ কোনো নিজস্ব সামৰিক বাহিনী নাছিল, ফলত সাংবিধানিক নিৰাপত্তা ৰক্ষা কৰাত ই ব্যৰ্থ হৈছিল

6. জাতিসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে বহু সময়ত সাংবিধানিক নিৰাপত্তা ব্যৱস্থাক ধ্বংস কৰিছিল। উদাহৰণস্বৰূপে 1923 চনত ফ্ৰান্সে জাৰ্মানীৰ ৰুঢ় অঞ্চল আক্ৰমণ কৰাৰ পিছতো জাতিসংঘই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা নাছিল

7. সাংবিধানিক নিৰাপত্তাৰ বাবে জাতিসংঘৰ আক্ৰমণকাৰী ৰাষ্ট্ৰৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰাৰ সুবিধা আছিল। কিন্তু বাস্তৱত এই নীতি গ্ৰহণ কৰা হোৱা নাছিল।

8. জাতিসংঘৰ অধিকাংশ গুৰুত্বপূৰ্ণ সিদ্ধান্ত সৰ্বসন্মতি-ক্ৰমে গ্ৰহণ কৰিবলগা হৈছিল ফলত জাতিসংঘৰ আক্ৰমণ ৰাষ্ট্ৰবিলাকৰ বিৰুদ্ধে সামূহিক নিৰাপত্তা ব্যৱস্থা গ্ৰহণত বাধাৰ সৃষ্টি হৈছিল।

## Conclusion :

জাতিসংঘৰ বিভিন্ন বিধানৰ সামূহিক নিৰাপত্তা ব্যৱস্থা সমস্যাৰাজি সকলোৰ পৰিপ্ৰেক্ষিতত সাংবিধানিক নিৰাপত্তা ব্যৱস্থা গ্ৰহণত অকৃতকাৰ্য হৈছিল। তেই অকৃতকাৰ্যতাসমূহ হ'ল— 1934 চনত ইটালীৰ আবিচিনীয়া আক্ৰমণ, 1932 চনত জাপানৰ মাঞ্চুৰীয়া আক্ৰমণ, জাৰ্মানীৰ দ্বাৰা ভাৰ্সাই সন্ধীৰ অৱমাননা ইত্যাদি। জাতিসংঘই ইটালী, জাৰ্মানী, জাপান আদি ৰাষ্ট্ৰৰ বিৰুদ্ধে সাংবিধানিক নিৰাপত্তা ব্যৱস্থা কাৰ্যকৰী কৰিব নোৱাৰাত ইউৰোপত অৰাজকতা আৰু বিশৃংখলাৰ সৃষ্টি হৈছিল। ইয়াৰ ফলস্বৰূপে 1939 চনৰ 1 চেপ্তেম্বৰৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ সূচনা হোৱাৰ লগে লগে জাতিসংঘৰ সামূহিক নিৰাপত্তা ব্যৱস্থাৰ ধ্বংস সাধন হয় বুলি আমি কব পাৰোঁ।

—— o ——

Q.No. State and evaluate the System Theory of Morton Kaplan.

Answer :- Introduction :-

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ বিভিন্ন দৃষ্টিভংগী বিলাকৰ ভিতৰত ব্যৱস্থাপক দৃষ্টিভংগী হৈছে অন্যতম। ব্যৱস্থাপক দৃষ্টিভংগীৰ পৃষ্ঠপোষকতা কৰিছিল আচৰণবাদী ৰাজনীতি বিজ্ঞানীসকলে। ব্যৱস্থাপক দৃষ্টিভংগীৰ প্ৰথম পৃষ্ঠপোষক আছিল মেকলিলেণ্ড। তেওঁৰ পিচত কিছুমান চিন্তাবিদে এই দৃষ্টিভংগীৰ পৃষ্ঠপোষকতা কৰিছিল যদিও মৰ্টন কাপলানক এই দৃষ্টিভংগীৰ প্ৰধান পৃষ্ঠ-পোষক হিচাপে অভিহিত কৰা হয়।

কাপলানৰ মতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ বিষয়ত কিছুমান সু-সংগত ব্যৱস্থা আছে। তেওঁৰ মতে জাতীয় ৰাষ্ট্ৰ ব্যৱস্থাই হৈছে প্ৰকৃতাৰ্থত ৰাজনৈতিক ব্যৱস্থা, আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা প্ৰকৃতাৰ্থত ৰাজনৈতিক ব্যৱস্থা নহয়। কোনো এটা ব্যৱস্থাক সুসংগতভাৱে ৰাখিবলৈ হ'লে শক্তিৰ প্ৰয়োজন, ৰাষ্ট্ৰ ব্যৱস্থাত এই শক্তি আছে।

তেওঁৰ মতে আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ ছয়টা নমুনা আছে। তলত সেইবোৰৰ আলোচনা কৰা হ'ল —

1. ক্ষমতাৰ ভাৰসাম্যৰ পদ্ধতি :-

অষ্টাদশ আৰু ঊনবিংশ শতিকাত ইউৰোপত ক্ষমতাৰ ভাৰসাম্য পদ্ধতিৰ প্ৰচলন আছিল। সেই সময়ত কেইখনমান শক্তিশালী দেশ আছিল আৰু সেয়েহে এই দেশসমূহে ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ ওপৰত গুৰুত্ব দিছিল। কোনো এখন দেশক আন দেশটোৱে শক্তিশালী হ'ব নিদিয়াকৈ ৰাখিছিল যিহেতু উদ্দেশ্য

২. শিথিল দ্বি কেন্দ্ৰীক পদ্ধতি:-

শিথিল দ্বি কেন্দ্ৰিক পদ্ধতিত দুটা বৃহৎ শক্তিগোষ্ঠী থাকে আৰু প্ৰত্যেক শক্তিগোষ্ঠীয়ে আন আন দেশক নিজৰ গোষ্ঠীত অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰে। ৰাষ্ট্ৰসংঘৰ নিচিনা আন্তঃৰাষ্ট্ৰীয় সংগঠনেও আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

৩. দৃঢ় দ্বি-কেন্দ্ৰীক পদ্ধতি:-

দৃঢ় দ্বি কেন্দ্ৰিক পদ্ধতিত দুটা শক্তিশালী গোষ্ঠী থাকে। এনে ব্যৱস্থাত গোষ্ঠী নিৰপেক্ষ ৰাষ্ট্ৰসমূহৰ গুৰুত্ব কমি যায় আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰভাৱ কমি যায়। ফলত বৃহৎ শক্তিগোষ্ঠীৰ মাজত যুদ্ধ বৃদ্ধিৰ সৃষ্টি কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়।

৪. সাৰ্বজনীন আন্তঃৰাষ্ট্ৰীয় পদ্ধতি:-

যেতিয়া আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত আন্তৰ্জাতিক সংগঠনৰ প্ৰাধান্য বাঢ়ি যায় আৰু বৃহৎ শক্তিগোষ্ঠীৰ ক্ষমতা তুলনামূলকভাৱে কমি যায় আৰু শক্তিগোষ্ঠীয়ে আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ নিৰ্দেশ মতে কাম কৰিবলগা হয়, তেতিয়া এক নতুন পদ্ধতিৰ সৃষ্টি হয়। এই পদ্ধতিক সাৰ্বজনীন আন্তঃৰাষ্ট্ৰী পদ্ধতি হিচাবে অভিহিত কৰা হয়।

5. পদানুক্ৰমিক আন্তঃৰাষ্ট্ৰীয় পদ্ধতি:-

এই পদ্ধতিত কোনো এটা শক্তিগোষ্ঠীয়ে আন শক্তিবোৰক নিজৰ তলতীয়া কৰি এক তথলা পদ্ধতিৰ সৃষ্টি কৰে। এই শক্তিটো থাকিব শীৰ্ষত আৰু আনবিলাক ইয়াৰ তলত

থাকিব। দুটা উপায়েৰে এই পদ্ধতিৰ সৃষ্টি কৰিব পাৰি। প্ৰথমতে, যুদ্ধ জয়ৰ জৰিয়তে বিভিন্ন ৰাষ্ট্ৰক নিজৰ তলতীয়া কৰি। হিটলাৰে যুদ্ধ জয়ৰ জৰিয়তে জাৰ্মানীত প্ৰাধান্য বিস্তাৰ কৰিবলৈ ইচ্ছা কৰিছিল। দ্বিতীয়তে, গণতান্ত্ৰিক পদ্ধতিৰ জৰিয়তে কোনো এটা শক্তিয়ে শীৰ্ষত অৱস্থান কৰিবলৈ চেষ্টা কৰে।

6. একক ভেটো পদ্ধতি :-

কাপলানে উল্লেখ কৰা ~~একক~~ শেষ পদ্ধতিটো হৈছে 'একক ভেটো' পদ্ধতি। এই পদ্ধতিত প্ৰত্যেক শক্তিশালী ৰাষ্ট্ৰই ধ্বংসাত্মক অস্ত্ৰ-শস্ত্ৰৰ উৎপাদন কৰি আন ৰাষ্ট্ৰক ধ্বংস কৰিবলৈ ইচ্ছা কৰে। যেয়েহে আন্তৰ্ৰাষ্ট্ৰীয় ব্যৱস্থাৰ স্থায়ীত্ব এনে শক্তিশালী দেশৰ সংযমৰ ওপৰতহে নিৰ্ভৰ কৰে। ধ্বংসাত্মক অস্ত্ৰ ব্যৱহাৰ কৰিলে সমগ্ৰ পদ্ধতিয় নাইকীয়া হোৱাৰ সম্ভাৱনা থাকে।

কাপলানৰ ব্যৱস্থাপক দৃষ্টিভংগীৰ কিছুমান সীমাবদ্ধতা আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল ——

1. সমালোচকসকলৰ মতে কাপলানৰ নমুনাই যে আন্ত: ৰাষ্ট্ৰীয় সম্পৰ্কৰ অধ্যয়নত অৱদান ~~যু~~ যোগাব পাৰিব, সেই বিষয়ত সন্দেহ আছে।

2. দ্বিতীয়তে তেওঁৰ আটাইকেইটা নমুনা কাৰ্যকৰী হোৱা দেখা নাযায় অৰ্থাৎ তেওঁ উল্লেখ কৰা আটাইকেইটা নমুনা বাস্তৱসন্মত নহয়।

3. শেষত কাপলানে যদিও জাতীয় স্বাৰ্থ আৰু জাতীয় মূল্যবোধৰ ওপৰত গুৰুত্ব দিছে, তথাপিও কেনেকৈ জাতীয় স্বাৰ্থ

আৰু জাতীয় মূল্যবোধৰ সৃষ্টি হয়, আৰু এইবোৰৰ কেনেকৈ ৰাষ্ট্ৰসমূহৰ সামূহিক আচৰণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়ে তেওঁ উল্লেখ কৰা নাই। কাৰণ আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্ক কি কি কাৰণত পৰিৱৰ্তন হয়, তেনে বিষয়ৰ ওপৰত গুৰুত্ব দিয়া উচিত।

## Conclusion :-

সামৰণিত আমি কব পাৰো যে কাপলানৰ ব্যৱস্থা দৃষ্টিভংগীৰ কিছুমান সীমাবদ্ধতা আছে যদিও এই দৃষ্টিভংগীক একেবাৰে গুৰুত্বহীন বুলি কব নোৱাৰি। প্ৰথমতে এই দৃষ্টিভংগীয়ে ৰাষ্ট্ৰসমূহৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ ওপৰত গুৰুত্ব দিয়া হৈছে। অৰ্থাৎ এখন দেশৰ আচৰণ কেনেকৈ আন দেশৰ আচৰণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। দ্বিতীয়তে, দেশসমূহেই হৈছে আন্তঃৰাষ্ট্ৰীয় সমাজৰ একো একোটা অংশ। গতিকে দেশ সমূহৰ আচৰণৰ ওপৰত যে আন্তঃৰাষ্ট্ৰীয় স্থিৰতা নিৰ্ভৰ কৰে সেই বিষয়ে এই দৃষ্টিভংগীত গুৰুত্ব দিয়া হৈছে।

—— o ——

Q. State and evaluate the System approach of Morton Kaplan.

Answer:- Introduction:-

আচৰণবাদী ৰাজনীতি বিজ্ঞানীসকল ব্যৱস্থাপক দৃষ্টিভংগীৰ পৃষ্ঠপোষক আছিল। প্ৰথম অৱস্থাত এই দৃষ্টিভংগীক জীৱ বিজ্ঞানত প্ৰয়োগ কৰা হৈছিল। পিছত এই দৃষ্টিভংগীক সমাজ বিজ্ঞানৰ বিভিন্ন শাখাত প্ৰয়োগ কৰা হয়। ইয়াৰে এই দৃষ্টিভংগীক ৰাজনীতি বিজ্ঞানত প্ৰয়োগ কৰাৰ লগে মৰ্টন কাপলানে ইয়াক আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত প্ৰয়োগ কৰে। ব্যৱস্থাপক দৃষ্টিভংগীৰ প্ৰথম পৃষ্ঠপোষক মেকলিলেণ্ড। মেকলিলেণ্ডৰ পিচত মৰ্টন কাপলানেই এই দৃষ্টিভংগীৰ প্ৰধান পৃষ্ঠপোষক আছিল।

কাপলানৰ ব্যৱস্থাপক দৃষ্টিভংগীত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত কিছুমান সু সংগত ব্যৱস্থা বা সুশৃংখলা বিদ্যমান। তেওঁৰ মতে কোনো এটা ব্যৱস্থাক সুসংগত ৰূপত ৰাখিবলৈ হ'লে শক্তিৰ প্ৰয়োজন আৰু ৰাষ্ট্ৰ এখনত সেই শক্তি থাকে যাৰ বাবে ৰাষ্ট্ৰ এখনে বিভিন্ন উপ ব্যৱস্থা সমূহকো একত্ৰিত কৰি ৰাখিব পাৰে। তেওঁৰ মতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত প্ৰধান অংশগ্ৰহণকাৰী হ'ল ৰাষ্ট্ৰ। সেয়েহে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ পৰিৱৰ্তনৰ ফলত ৰাষ্ট্ৰসমূহৰ ভূমিকাৰো পৰিৱৰ্তন ঘটে।

কাপলানৰ মতে আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাপনাত ছয়টা নমুনা পোৱা যায়। সেই ছয়টা নমুনা তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

① ক্ষমতাৰ ভাৰসাম্যৰ পদ্ধতি :-

অষ্টদশ আৰু ঊনবিংশ শতিকাত ইউৰোপত ক্ষমতাৰ ভাৰসাম্য পদ্ধতিৰ প্ৰচলন আছিল। সেই সময়ত কেইখন মান শক্তিশালী দেশ আছিল আৰু এই দেশবিলাকে ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ বাবে বিশেষ যত্নবান হৈ উঠিছিল। ইয়াৰ মুখ্য উদ্দেশ্য আছিল কোনো এখন দেশ যাতে অধিক শক্তিশালী হৈ উঠিব নোৱাৰে তাৰ ব্যৱস্থা কৰা। এই উদ্দেশ্য সফল সাধিত কৰাৰ বাবে দুটা নীতি প্ৰয়োগ কৰা হৈছিল। (যেনে- কোনো শক্তিয়ে আন কোনো শক্তিক নাইকীয়া কৰিবলৈ ইচ্ছা নকৰে, নিজৰ জাতীয় স্বাৰ্থ ৰক্ষাৰ বাবে যুদ্ধ এখনে প্ৰয়োজন হ'লে শক্তি প্ৰয়োগ কৰিবলৈ সাজু থাকে ইত্যাদি)।

২. শিথিল দ্বি কেন্দ্ৰীক পদ্ধতি :-

এই পদ্ধতি মতে আন্তৰ্জাতিক ক্ষেত্ৰত দুটা বৃহৎ শক্তি গোষ্ঠী থাকে। প্ৰত্যেকখন শক্তিগোষ্ঠীয়ে সদায় আন আন দেশবোৰ নিজৰ গোষ্ঠীৰ অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰয়াস চলায়। অৱশ্যে এই প্ৰক্ৰিয়া চলা অৱস্থাত দুই গোষ্ঠীৰ অন্তৰ্ভুক্ত নোহোৱা আন্তৰ্জাতিক সংগঠন সমূহ থাকিব পাৰে।

৩. দৃঢ় দ্বি কেন্দ্ৰীক পদ্ধতি :-

এই পদ্ধতিত দুটা বৃহৎ শক্তি গোষ্ঠী থাকে আৰু প্ৰত্যেক শক্তি গোষ্ঠীয়ে বিভিন্ন দেশক নিজৰ শক্তি গোষ্ঠীত অন্তৰ্ভুক্ত কৰাবলৈ চেষ্টা কৰে, এনে ব্যৱস্থাত গোষ্ঠী নিৰপেক্ষ ৰাষ্ট্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰভাৱ কমি যায়। ফলস্বৰূপে বৃহৎ শক্তি গোষ্ঠীৰ মাজত বুজাবুজিৰ অভাৱ পৰিলক্ষিত হয়

4. সাৰ্বজনীন আন্তঃৰাষ্ট্ৰীয় পদ্ধতি :-

এই পদ্ধতি অনুসৰি যেতিয়া আন্তৰাষ্ট্ৰীয় সম্পৰ্কত আন্তৰ্জাতিক সংগঠনৰ প্ৰাধান্যতা বাঢ়ি যায় তেতিয়া বৃহৎ শক্তিগোষ্ঠীৰ ক্ষমতা কমি যায় আৰু শক্তি গোষ্ঠী বিলাকে আন্তৰ্জাতিক সংগঠনৰ নিৰ্দেশ মানি চলিব লগাত হয়। এনে ব্যৱস্থাত আন্তঃৰাষ্ট্ৰীয় সংগঠনে ন্যায়িক, অৰ্থনৈতিক, ৰাজনৈতিক আদি প্ৰশাসনীয় আদি দায়িত্ব পালন কৰিব পাৰিব। অৱশ্যে বিভিন্ন ৰাষ্ট্ৰ সমূহক অধিক পৰিমানৰ স্বায়ত্ব শাসনৰ সুবিধা দিয়া হব।

5. পদানুক্ৰমিক আন্তঃৰাষ্ট্ৰীয় পদ্ধতি :-

এই পদ্ধতিত কোনো এটা শক্তি গোষ্ঠীয়ে আন শক্তি গোটক নিজৰ তলতীয়া কৰি ডাঙৰ সংঘ পদ্ধতিৰ সৃষ্টি কৰিব। এই ব্যৱস্থাত শক্তি গোষ্ঠীটো সকলোতকৈ উৰ্দ্ধত থাকে। দুটা উপায়েৰে এই পদ্ধতিক সৃষ্টি কৰিব পাৰি। তাৰে এটা যুদ্ধ জয়ৰ ভাৱিষ্যতে আৰু আনটো গনতান্ত্ৰিক পদ্ধতিৰ ভাৱিষ্যতে।

6. একক ভেটো পদ্ধতি :-

এই পদ্ধতি অনুসৰি প্ৰত্যেকখন শক্তিশালী ৰাষ্ট্ৰই ধ্বংসাত্মক অস্ত্ৰ-শস্ত্ৰৰ উৎপাদন কৰি আন ৰাষ্ট্ৰক ধ্বংস কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিব পাৰে। সেই বাবে এনে পদ্ধতিত আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ স্থায়িত্ব এই শক্তিশালী দেশ বিলাকৰ সংযমৰ ওপৰত নিৰ্ভৰ কৰে। ধ্বংসাত্মক অস্ত্ৰৰ ব্যৱহাৰে সমগ্ৰ পদ্ধতি বোৰ নাইকীয়া হৈ যাব পাৰে।

## Evaluation :-

মৰ্টন কাপলানে ব্যৱস্থাপক দৃষ্টিভংগীৰ আলমত ব্যাখ্যা আগবঢ়াই যি ছয়টা নমুনাৰ কথা প্ৰকাশ কৰিছে তাত কিছুমান সীমাবদ্ধতা আছে বুলি সমালোচক সকলে মত প্ৰকাশ কৰিছে। সমালোচকসকলৰ মতে,

1. কাপলানৰ নমুনাবিলাকে যে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক অধ্যয়নত অৰিহণা যোগাব পাৰিব সেই বিষয়ত সুস্পষ্ট সন্দেহৰ স্থল আছে।

2. কাপলানৰ আদৰ্শবোৰৰ নমুনা কাৰ্যকৰী হোৱা দেখা নাযায় আৰু আদৰ্শবোৰৰ নমুনা বাস্তৱসম্মত নহয়।

3. জাতীয় স্বাৰ্থ আৰু জাতীয় মূল্যবোধৰ দৃষ্টি লগতে এইবোৰে কেনেকৈ ৰাষ্ট্ৰ সমূহৰ সামূহিক আচৰণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়ে তেওঁ কোনো উল্লেখ কৰা নাই।

## Conclusion :-

সামগ্ৰিকভাৱে আমি কব পাৰো যে কাপলানৰ ব্যৱস্থাপক দৃষ্টিভংগীৰ ওপৰত সমালোচক সকলে সুস্পষ্ট সমালোচনা আগবঢ়ালেও ইয়াক একেবাৰে গুৰুত্বহীন বুলি ভবা উচিত নহয়। কিয়নো তেওঁৰ এই দৃষ্টিভংগীৰ জৰিয়তে ৰাষ্ট্ৰসমূহৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এই পাৰস্পৰিক সম্পৰ্কই এখন দেশৰ আচৰণ আন এখন দেশৰ আচৰণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আন্তঃৰাষ্ট্ৰীয় স্থিৰতা আনাত সুস্পষ্ট অৰিহণা যোগাইছে।

Q. State and evaluate the fourteen principles of Woodrow Wilson.

Answer :- Introduction :-

উদাৰতাবাদ হৈছে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ এক প্ৰধান আৰু গুৰুত্বপূৰ্ণ দৃষ্টিভংগী। উদাৰতাবাদে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ জগতখনত শান্তি, প্ৰগতি আৰু সহযোগিতা সম্প্ৰসাৰণৰ বুলি বিশ্বাস কৰে। উদাৰতাবাদীসকলে পোষণ কৰা আশাবাদৰ অন্তৰালত দুটা প্ৰধান বিশ্বাস নিহিত হৈ আছে। তাৰে এটা মানুহ স্বাভাৱিকতে ভাল আৰু বিবেচনাশীল আৰু আনটো হৈছে মানুহ প্ৰগতি কৰাৰ বাবে সক্ষম। অৱশেষত আন্তঃৰাষ্ট্ৰীয় জগতখনত কি ধৰণে শান্তি আৰু প্ৰগতি সুনিশ্চিত কৰিব পাৰি সেই বিষয়ে বিভিন্ন উদাৰতাবাদীয়ে বিভিন্ন পৰামৰ্শ আগবঢ়ালেও উইলচনৰ পৰামৰ্শ আছিল উল্লেখনীয়।

উইলচনৰ উদাৰতাবাদী তত্ত্ব :-

উইলচনে শান্তি আৰু সহযোগিতাৰ পূৰ্ণ এখন বিশ্বৰ সপোন দেখিছিল। সেয়েহে আজি উইলচনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এক নতুন পৃথিৱী গঢ়াৰ চেষ্টাত ব্ৰতী লোকসকলে তেওঁলোকৰ প্ৰচেষ্টা সফল কৰাৰ বাবে উইলচনৰ ধ্যান-ধাৰণা আৰু তাক বাস্তৱত ৰূপায়িত কৰাৰ প্ৰয়াস কৰিছিল। আমেৰিকাৰ ৰাষ্ট্ৰপতিজনে উইলচনে ৰাষ্ট্ৰীয় পৰ্যায়ত আমূল অৰ্থনৈতিক সংস্কাৰৰ সূচনা কৰে আৰু বৈদেশিক নীতিৰ ক্ষেত্ৰত যথেষ্ট নতুনত্ব আনে। বৈদেশিক পৰিক্ৰমাত তেওঁ মানৱ অধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ পোষকতা কৰাৰ লগতে আনুষ্ঠানিক সাম্ৰাজ্যবাদৰ বিৰোধিতা কৰে। তেওঁ দেশৰ স্বাৰ্থ সুনিশ্চিত কৰাৰ বাবে অইন দেশৰ সাম্ৰাজ্যবাদী অধিগ্ৰহণতকৈ মুক্ত বেপাৰ-বাণিজ্য দেশৰ স্বাৰ্থ সুনিশ্চিত কৰাৰ বাবে অধিক উত্তম পন্থা বুলি বিশ্বাস কৰিছিল।

আত্মৰক্ষাবাদী প্ৰতিযোগিতাত ১৯১৪ চনৰ প্ৰথম বিশ্বযুদ্ধত উইলচন অন্তৰ্ভুক্ত হোৱা নাছিল যদিও ১৯১৭ চনত জাৰ্মানে আমেৰিকা আক্ৰমণ কৰাৰ ফলত প্ৰথম বিশ্বযুদ্ধত উইলচনে অংশগ্ৰহণ কৰে।

প্ৰথম বিশ্বযুদ্ধৰ পিছত ইউৰোপত শান্তি প্ৰতিষ্ঠা আৰু আন্তৰ্জাতিক সুৰক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে উইলচনে কল্পচুক্তি বা দফচুক্তি প্ৰস্তুত কৰে আৰু এই কল্পচুক্তি বা দফচুক্তিৰ বাবে পিছলৈ তেওঁ আদৰ্শবাদী আখ্যা পায়। ১৯১৮ চনৰ জানুৱাৰী মাহত এক চৈধ্যদফীয়া চনদৰ ৰূপত উইলচনে তেওঁৰ কল্পচুক্তি বা দফচুক্তি প্ৰকাশ কৰে —

☆ উইলচনৰ চৈধ্যদফীয়া চনদখন বিভিন্ন নীতি আৰু প্ৰস্তাৱ সমষ্টি সেইবোৰ হৈছে —

(১) গোপন বুজা-বুজিৰ অবিহনে কৰা শান্তিৰ মুকলি চুক্তি

(২) ৰাষ্ট্ৰীয় জলক্ষেত্ৰৰ বাহিৰত সকলো দেশৰ বাবে আসাবীয় স্বাধীনতা,

(৩) বাণিজ্যৰ ক্ষেত্ৰত থকা সকলো অৰ্থনৈতিক বাধাৰ অপসাৰণ কৰা,

(৪) ৰাষ্ট্ৰীয় অস্ত্ৰ সজ্জা ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰ্যন্ত পৰিমাণলৈ হ্ৰাস কৰা,

(৫) ঔপনিবেশিক দাবীৰ মুক্ত, মুকলিমূৰীয়া আৰু নিৰপেক্ষ মীমাংসা,

(৬) ৰাছিয়াৰ পৰা জাৰ্মান সৈন্যৰ অপসাৰণ আৰু ৰাছিয়াৰ স্বাধীনতাৰ প্ৰতি সন্মান।

⑦ বেলজিয়ামৰ পৰা জাৰ্মান সৈন্যৰ অপসাৰণ ।

⑧ ফ্ৰান্স আৰু লগতে বিবাদমান আলজাৰ্চ লৰেইন অঞ্চলৰ পৰা জাৰ্মান সৈন্যৰ অপসাৰণ ।

⑨ জাতীয়তাৰ স্বীকৃতি সীমা অনুসৰি ইটালীৰ সীমাৰ পুনৰ্বিন্যস্তকৰণ ।

⑩ অষ্ট্ৰিয়া-হাংগেৰীৰ জনসাধাৰণৰ বাবে সীমিত স্বশাসনৰ ব্যৱস্থা ।

⑪ বলকানৰ পৰা জাৰ্মান সৈন্যৰ অপসাৰণ আৰু বলকানসকলৰ বাবে স্বাধীনতা ।

⑫ টৰ্কীৰ বাবে স্বাধীনতা আৰু পূৰ্বতে অটোমান সাম্ৰাজ্যৰ অধীনত বাস কৰা জাতিসকলৰ বাবে সীমিত স্বশাসনৰ ব্যৱস্থা ।

⑬ পোলেণ্ডৰ বাবে স্বাধীনতা ।

⑭ সৰু বৰ সকলো ৰাষ্ট্ৰৰ ৰাজনৈতিক স্বাধীনতা আৰু ভূখণ্ডৰ অখণ্ডতা নিশ্চিত কৰাৰ বাবে এক নিৰ্দিষ্ট চুক্তিৰ আধাৰত ৰাষ্ট্ৰসমূহৰ বাবে এটা সাধাৰণ অনুষ্ঠান গঠন কৰা ।

~~Critism~~

Criticism :- উইলছনৰ ১৪ দফীয়া প্ৰস্তাৱ সমালোচনাৰ ঊৰ্দ্ধত নহয় ।

① ইয়াৰ প্ৰায়বিলাক প্ৰস্তাৱ অস্পষ্ট আৰু অকাৰ্যকৰী আছিল

② উইলছনৰ ১৪ দফীয়া প্ৰস্তাৱৰ উদ্দেশ্য বহুমুখী আছিল

②. যদিও এইবিলাক প্ৰকৃততে প্ৰচাৰৰ কাৰণে প্ৰস্তুত কৰা হৈছিল।

③ এই প্ৰস্তাৱবিলাকৰ কাৰ্যকাৰিতা বিশেষকৈ ৰাষ্ট্ৰবিলাকৰ নেতৃত্ব আৰু কূটনীতিৰ ওপৰত নিৰ্ভৰ কৰিছিল।

④ যুদ্ধ সম্পৰ্কে থকা ধাৰণাও আজুৰি অনাছিল কাৰণ যুদ্ধৰ লক্ষ্য আৰু শান্তি স্থাপনৰ প্ৰস্তাৱৰ মাজত কোনো সামঞ্জস্য নাছিল।

⑤ শান্তি প্ৰস্তাৱ কাৰ্যকৰী কৰাত বিজিত আৰু পৰাজিত ৰাষ্ট্ৰবিলাকৰ স্বকীয়া স্বাৰ্থয়ে বাধাৰ সৃষ্টি কৰিছিল।

⑥ আন এটা দোষ হ'লে এই প্ৰস্তাৱবিলাক কাৰ্যকৰী কৰাত আন দেশৰ নেতাবিলাকে কি দৃষ্টিভংগী গ্ৰহণ কৰে তাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিছিল।

⑦ উইলছনৰ ১৪ দফীয়া প্ৰস্তাৱৰ কিছুমান দফা কাৰ্যকাতাৰ পূৰ্বে সংশোধন আৰু সলনি কৰিছিল।

<u>Importance</u>

উইলছনৰ ১৪ দফীয়া প্ৰস্তাৱৰ দোষ থাকিলেও ইয়াৰ গুৰুত্ব কোনো প্ৰকাৰে অস্বীকাৰ কৰিব নোৱাৰি।

① এই প্ৰস্তাৱসমূহে পেৰিছ শান্তি চুক্তি গ্ৰহণ কৰাত বহু পৰিমাণে সহায় কৰিছিল।

② বহুতো দেশে জাতীয়তাৰ ভিত্তিত আত্মনিৰ্ধাৰণৰ নীতি অনুসৰণ কৰি স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল।

③ মহাসাগৰত মুক্ত বেহা-বেপাৰৰ কাৰণেই প্ৰসাৰতা লাভ কৰিছিল।

• (গান) 80 61 18

8. Discuss the importance of the liberalism approach to the study of International Relation.
আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি-অধ্যয়নত-উদাৰতাবাদী-দৃষ্টিভংগীৰ গুৰুত্ব আলোচনা...

Ans:- Introduction :-

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক অধ্যয়নত উদাৰতাবাদী দৃষ্টিভংগীৰ এক অন্যতম গুৰুত্ব আছে। উদাৰতাবাদে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত বিশ্বত শান্তি, প্ৰগতি আৰু সহযোগীতাত বিশ্বাসী। প্ৰথম বিশ্ব যুদ্ধৰ পিছতে উদাৰতাবাদী দৃষ্টিভংগীৰ প্ৰনালীবদ্ধ বিকাশ সাধন হয় যদিও ইয়াৰ চিন্তা চৰ্চা বহু আগৰে পৰা চলিছিল। উদাৰতাবাদী দৃষ্টিভংগী আন্তৰ্জাতিক সম্পৰ্ক অধ্যয়নৰ ক্ষেত্ৰত বহুতো বিশিষ্ট উদাৰতাবাদী সকলৰ লিখনিয়েও সহায় কৰিছিল। ☆ সেই সকলৰ ভিতৰত কন্দৰচেট, লক, স্মিথ কাণ্ট আদিয়ে প্ৰধান।
(Condorcet) (John Locke) (Adam smith) (Immanuel Kant)

আন্তৰ্জাতিক সম্পৰ্কত উদাৰনৈতিক দৃষ্টিভংগীয়ে গণতন্ত্ৰ, স্বাধীনতা, ৰাজনৈতিক সমতা, গনতন্ত্ৰ আদিৰ সু প্ৰতিষ্ঠিত ৰূপ প্ৰদান কৰাৰ বাবে সদায় প্ৰয়াস চলায়। এই প্ৰচেষ্টাই উদাৰতাবাদী চিন্তাবিদৰ বিকাশত গভীৰ প্ৰভাৱ পেলায়।

উদাৰতাবাদৰ জন্মৰ প্ৰথমছোৱা কালৰ চিন্তা চৰ্চা মিলি সাধাৰণতে উদাৰ আন্তঃৰাষ্ট্ৰীয়বাদ বুলি কোৱা হৈছিল। এই উদাৰতাবাদে মূল্য প্ৰত্যয়মূলক বেনথাম আৰু কান্টে মানুহৰ বিবেক ওপৰত বিশ্বাস ৰাখিছিল। এই ধাৰণাই ব্যক্তিৰ চেতনাৰ ৰূপান্তৰ, যুদ্ধৰ অৱসান, বিশ্বজনীন চৰকাৰৰ প্ৰতিষ্ঠা, মুক্ত বাণিজ্যৰ সংৰক্ষন আৰু শান্তিৰ সংৰক্ষনত গুৰুত্ব দিছিল।

প্ৰথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ মাজৰ সময়ছোৱাত উদাৰতাবাদী সকলে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক সম্বন্ধে ব্যাপক চিন্তা চৰ্চা কৰে। অৱশ্যে এই সময়ছোৱাৰ উদাৰতা

বাৰনাৰ্ড উদাৰতাবাদ ব্যাখ্যা দিয়া নৈতিক আৰু ইয়াৰ প্ৰধান সমৰ্থক আছিল উড্ৰ উইলচন (woodrow wilson)। এই সময়ৰ ধাৰণা মতে যুদ্ধৰ মূল কাৰণ মানুহৰ বেয়া চৰিত্ৰৰ বাবে নহয় বুলি প্ৰকাশ কৰিছিল, যুদ্ধৰ সৃষ্টি হয় ক্ৰটিপূৰ্ণ সমাজ ব্যৱস্থা আৰু অনুষ্ঠানৰ বাবেহে।

আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্ক অধ্যয়নৰ ক্ষেত্ৰত দ্বিতীয় বিশ্বযুদ্ধৰ পাছত নব্য উদাৰতাবাদেও ~~বিস্তাৰ~~ বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। এই সময়ছোৱাত উদাৰতাবাদৰ বিভিন্ন পণ্ডিত সকলে বিভিন্ন ধৰণে উদাৰতাবাদক শ্ৰেণী বিভাগ কৰি অধ্যয়ন কৰে। যেনে — সমাজতান্ত্ৰিক উদাৰতাবাদ, আন্তঃ নিৰ্ভৰশীলতাৰ উদাৰতাবাদ অনুষ্ঠানমূলক উদাৰতাবাদ প্ৰজাতান্ত্ৰিক উদাৰতাবাদ ইত্যাদি।

আন্তৰ্জাতিক সম্পৰ্ক অধ্যয়নৰ ক্ষেত্ৰত উদাৰতাবাদে যে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে তাক আমি কিছুমান (যুক্তিৰেও) ধাৰণাৰ জৰিয়তেও উপলব্ধি কৰিব পাৰোঁ। যেনেকৈ হ'ল-

(1) উদাৰতাবাদী সকলৰ মতে আন্তঃ ৰাষ্ট্ৰীয় ক্ষেত্ৰখনত ৰাষ্ট্ৰই এক মাত্ৰ কৰ্তা নহয় ইয়াৰ উপৰিও বিভিন্ন অনুষ্ঠান সংস্থা ব্যক্তি আদিয়েও আন্তঃ ৰাষ্ট্ৰীয় জগতখনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(2) উদাৰতাবাদী সকলৰ মতে বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, দল, সংগঠন, সংস্থা, ব্যক্তি আদিৰ মাজত আজি এক ঘনিষ্ঠ যোগাযোগৰ সৃষ্টি হৈছে। ইয়াৰ লগতে উদাৰনৈতিক মূল্যবোধ বা বন্ধুত্বমূলক সম্পৰ্ক গঢ়ি উঠিছে যিয়ে গোটেই বিশ্বত শান্তি আৰু সহযোগীতাৰ গঢ়ি তোলাত যথেষ্ট সহায় কৰিছে।

③ উদাৰতাবাদী তত্ত্বৰ ধাৰণাৰ মতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু ব্যক্তিৰ মাজত গঢ়ি উঠা ঘনিষ্ঠ সম্পৰ্কই তেওঁলোকক একত্ৰীকৰণ কৰি ৰাখিছে আৰু তেওঁলোক এক জটিল পাৰস্পৰিক নিৰ্ভৰশীলতাৰ বান্ধ মাৰি পাৰিছে।

④ উদাৰনৈতিক দৃষ্টিভংগী মতে গণতন্ত্ৰৰ প্ৰসাৰ বিশ্বত শান্তি আৰু সহযোগিতা বৃদ্ধিৰ এক অন্যতম উপায়। উদাৰ গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহে শান্তি প্ৰিয় আৰু তেওঁলোকে পৰস্পৰৰ মাজত যুদ্ধ নকৰে।

## সামৰণি

সামৰণিত আমি উল্লেখ কৰিব পাৰো যে উদাৰতাবাদী দৃষ্টিভংগীয়ে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক অধ্যয়নৰ ক্ষেত্ৰত এক বিশেষ পদক্ষেপ আগবঢ়াইছে। ই ৰাষ্ট্ৰৰ উপৰিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, দল সংগঠন, সংস্থা, ব্যক্তি আদিৰ মাজত পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰাত বিশ্বাসী আৰু ই আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত এক শান্তিময় পৰিৱেশৰ সৃষ্টি কৰে। যেনেকৈ ফ্ৰান্সিছ ফুকুয়ামাৰ (Francis Fukuyama) ই তেওঁৰ গ্ৰন্থ "The End of History and the Last man" ত এই বুলি যুক্তি আগবঢ়াইছে যে শীতলযুদ্ধৰ অৱসানে পশ্চিমীয়া উদাৰতাবাদ ধাৰণাৰ বিজয় সাব্যস্ত কৰিলে আৰু পশ্চিমীয়া উদাৰ ভাৱ-ধাৰাৰ প্ৰসাৰৰ লগে লগে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ পথ সুগম হ'ব।

— o —

Q. Discuss the Immanual Kant Concept of Liberalism.

Answer Introduction :-

ইমানুৱেল কান্ট আন্তৰাষ্ট্ৰীয় সম্পৰ্কৰ উদাৰতাবাদী দৃষ্টিভংগীৰ বাটকটীয়া তথা উদাৰতাবাদী সকলৰ অনুপ্ৰেৰণাৰ এক উৎস হিচাপে পৰিচিত। কান্টৰ আদৰ্শ, দৰ্শন বা ধ্যান-ধাৰণাই আদিয়ে উদাৰতাবাদী দৃষ্টিভংগীৰ সমৰ্থক সকলক বাৰুকৈ আপ্লুত কৰিছে। কান্টৰ বিভিন্ন লিখনি সমূহৰ যোগেদি যুদ্ধ বৰ্জিত এখন শান্তি-পূৰ্ণ পৃথিৱী গঢ়াৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে।

কান্টৰ উদাৰনৈতিক ধাৰণা মতে ৰাষ্ট্ৰসমূহে এক সুৰক্ষা-হীন প্ৰাকৃতিক ৰাজ্যত বাস কৰে। কান্টে ৰাষ্ট্ৰ সমূহৰ মাজৰ আইনহীন, সুৰক্ষাহীন অৱস্থাটো বুজি উলিয়াৰ বাবে এই প্ৰাকৃতিক ৰাজ্যৰ ধাৰণাটোৰ অৱতাৰণা কৰে। আইনবিহীন, সুৰক্ষাহীনতা প্ৰাকৃতিক ৰাজ্যত এক স্থায়ী আৰু প্ৰধান বৈশিষ্ট্য। তেওঁৰ মতে আইনৰ দ্বাৰা নিয়ন্ত্ৰিত সু-সংগঠিত সমাজতহে ব্যক্তিয়ে মৌলিক স্বাধীনতা উপভোগ কৰিব পাৰে।

কান্টৰ মতে ৰাষ্ট্ৰসমূহৰ মাজত সংঘাতময় পৰিস্থিতিয়ে নৈতিক উন্নতিৰ পথত দুই ধৰণৰ অন্তঃবাধাৰ সৃষ্টি কৰে। তাৰ প্ৰথমতে, যুদ্ধ আৰু নৈতিকতা দুটা পৰস্পৰ বিৰোধী ধাৰণা। যুদ্ধ হৈছে সকলো অমংগল আৰু নৈতিক অৱনতিৰ উৎস। দ্বিতীয়তে, আন্তঃৰাষ্ট্ৰীয় সমাজ আৰু দেশীয় সমাজৰ মাজত এক অবিচ্ছেদ্য সম্পৰ্ক আছে। যেনেকৈ তেওঁ সদায় যুদ্ধৰ অৱসান ঘোষণা বিচাৰিছিল।

দেশসমূহৰ পাৰস্পৰিক সম্পৰ্ক আৰু আন্তৰ্জাতিক অৰাজকতাৰ

দূৰ কৰাৰ ক্ষেত্ৰত প্ৰধান কৰা গুৰুত্বই কাণ্টক প্ৰচলিত পাশ্চাত্য ৰাজনৈতিক পৰম্পৰাৰ পৰা পৃথক কৰিছে। সেই ক্ষেত্ৰত কাণ্ট আৰু হবছৰ মাজত পাৰ্থক্য বিদ্যমান। হবছৰ মতে দেশীয় সমাজৰ অৰাজকতাৰ সমস্যা সমাধান কৰাৰ বাবে সাৰ্বভৌম ৰাষ্ট্ৰ স্থাপন কৰিব লাগে। ইয়াৰ বিপৰীতে কাণ্টে আন্তৰ্জাতিক অৰাজকতাৰ সমস্যাৰ বিষয়ত বিশেষ গুৰুত্ব প্ৰদান কৰে। এই সমস্যা সমাধান নোহোৱালৈকে শান্তিপূৰ্ণ সামাজিক জীৱন সম্ভৱপৰ নহয় বুলি মত পোষণ কৰে।

☆ কাণ্টে আন্তৰ্জাতিক আইনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাছিল। কিয়নো তেওঁৰ মতে আন্তৰ্জাতিক আইন প্ৰয়োগ আৰু বলৱৎ কৰাৰ বাবে কোনো সমূহীয়া সাৰ্বভৌম ৰাজনৈতিক কৰ্তৃপক্ষ নাই। সেয়েহে আন্তঃৰাষ্ট্ৰীয় আইনে দেশবিলাকৰ মাজত শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰে। ঠিক সেইদৰে তেওঁক ক্ষমতাৰ ভাৰসাম্য নীতিৰ প্ৰতিও আস্থাশীল নাছিল, তেওঁৰ মতে ক্ষম-তাৰ ভাৰসাম্য নীতি অত্যন্ত ক্ষণভংগুৰ বা অস্থায়ী।

কাণ্টে দেশসমূহৰ মাজত চিৰন্তন শান্তি স্থাপনৰ বাবে একক ৰাষ্ট্ৰ গঠনৰো পোষকতা কৰিছিল। ইয়াৰ জৰিয়তে সৰু-বৰ সকলো ৰাষ্ট্ৰই নিৰাপত্তা পাব। তেওঁৰ গ্ৰন্থ "The idea for a Universal History"ত তেওঁ যুক্তৰাষ্ট্ৰৰ ধাৰণাৰ অৱতাৰণা কৰে। অৱশ্যে কাণ্টৰ এই যুক্তৰাষ্ট্ৰৰ প্ৰকৃত স্বৰূপ সম্পৰ্কে সুস্পষ্ট কি আছে। কিয়নো তেওঁ এই ধাৰণাৰ সম্বন্ধে বিভিন্ন সময়ত ভিন্ন মত প্ৰকাশ কৰিছে। তেওঁৰ যুক্তৰাষ্ট্ৰৰ ধাৰণাত কেতিয়াবা সীমিত যুক্তৰাষ্ট্ৰৰ পোষকতা কৰিছিল আৰু ৰাষ্ট্ৰবিলাকৰ সাৰ্বি

অধীকাৰৰ কথাও প্ৰকাশ কৰিছে। ✓ 21/01/15

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক সম্বন্ধে কাণ্টৰ ভাৱধাৰাৰ আন এক গুৰুত্বপূৰ্ণ মত হৈছে বিশ্ব শান্তি প্ৰতিষ্ঠাৰ প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰৰ গুৰুত্ব। এই সম্পৰ্কে তেওঁৰ "Perpetual peace" নামৰ গ্ৰন্থত প্ৰকাশ কৰিছিল। তেওঁৰ মতে সাংবিধানিক আৰু পাৰস্পৰিক সন্মানশীল ৰাষ্ট্ৰসমূহেই হৈছে প্ৰজাতন্ত্ৰ আৰু এনে প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰইহে বিশ্বত চিৰন্তন শান্তি প্ৰতিষ্ঠা কৰিব পাৰে।

কাণ্টে বিশ্বাস কৰিছিল যে প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰই কিছুমান নৈতিক মূল্যবোধ বা আদৰ্শ অনুসৰণ কৰে আৰু এই উমৈহতীয়া নৈতিক আদৰ্শৰ ফলত ৰাষ্ট্ৰবোৰৰ মাজত পেচিফিক (pacific ✱ union বা শান্তিময় এলেকা গঢ়ি উঠে। ইয়াৰ উপৰিও প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰ সমূহৰ মাজত অৰ্থনৈতিক সহযোগিতা আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাইও শান্তি সৃষ্টি কৰে। কাণ্টৰ ধাৰণাৰ ওপৰত ভিত্তি কৰিয়েই পৰৱৰ্তী সময়ত মাইকেল ডয়েলকে আদি কৰি বিভিন্ন উদাৰতাবাদী চিন্তাবিদ 'গণতান্ত্ৰিক শান্তি তত্ত্ব'ৰ বিকাশ সাধন কৰে

<u>Conclusion</u>

সামৰণিত আমি কব পাৰো যে কাণ্ট অৰ উদাৰতাবাদী দূৰদৃষ্টিশীল ভৱিষ্যতে এক শান্তিময় বিশ্বগঢ়াৰ সপোন দেখিছিল। তেওঁ স্থায়ী শান্তি প্ৰতিষ্ঠাৰ কাৰণে মূলত ব্যক্তি চেতনাৰ ৰূপান্তৰ, প্ৰজাতান্ত্ৰিক সংবিধান আৰু ৰাষ্ট্ৰসমূহৰ মাজত এখন মুক্ত ৰাষ্ট্ৰীয় চুক্তিৰ ওপৰত প্ৰাধান্য দিছিল।

—×—

## বিশ্ব ৰাজনীতিত দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ :-

সমগ্ৰ বিশ্বৰ ৰাজনীতিত ২য় বিশ্বযুদ্ধৰ গুৰুত্ব আৰু প্ৰভাৱ অপৰিসীম। কাৰণ বিশ্বৰ প্ৰায় প্ৰতিখন ৰাষ্ট্ৰ প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে এই যুদ্ধৰ প্ৰভাৱত পৰিছিল আৰু কম-বেছি পৰিমাণে ক্ষতিৰ সন্মুখীন হৈছিল। ২য় বিশ্বযুদ্ধৰ উল্লেখযোগ্য প্ৰভাৱ বা ফলাফল সমূহ হ'ল ——

① শীতল যুদ্ধৰ সৃষ্টি :-

২য় বিশ্বযুদ্ধৰ সময়ত যুদ্ধৰত মিত্ৰগোষ্ঠী সমূহৰ মাজত যেনে ধৰণৰ মিত্ৰতা আৰু সহযোগীতা দেখা পোৱা গৈছিল. উদাহৰণ স্বৰূপে :- যুদ্ধৰ সময়ত সোভিয়েট ৰাছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন, ফ্ৰান্স আদি ৰাষ্ট্ৰসমূহৰ মাজত ঘনিষ্ঠ সম্পৰ্ক, সহযোগীতা তথা মিত্ৰতাৰ সৃষ্টি হৈছিল। কিন্তু যুদ্ধৰ শেষত ৰাছিয়া আৰু আমেৰিকাৰ মাজত ৰাজনৈতিক আদৰ্শগত পাৰ্থক্য ইমানেই বৃদ্ধি পাইছিল যে তাৰ ফলত সমগ্ৰ বিশ্বৰ ৰাষ্ট্ৰসমূহৰ দুটা গোষ্ঠীত বিভক্ত হৈছিল আৰু তেওঁলোকৰ মাজত অবিশ্বাস আদিৰ সৃষ্টি হৈছিল। ইয়াক শীতল যুদ্ধৰ আৰম্ভণি বুলি কোৱা হয়।

② জীৱন আৰু সম্পত্তিৰ অত্যাধিক ক্ষয়-ক্ষতি :-

২য় বিশ্বযুদ্ধৰ ফলত যুদ্ধৰত দেশসমূহৰ মানৱ সম্পদ আৰু ধন-সম্পত্তিৰ অত্যাধিক ক্ষয় ক্ষতি হৈছিল। বিশেষকৈ ৰাছিয়া, ফ্ৰান্স, ইংলেণ্ড আৰু পৰাজিত ৰাষ্ট্ৰগোষ্ঠীৰ ভিতৰত জাৰ্মানী আৰু জাপানৰ মানুহ তথা সম্পত্তিৰ অত্যাধিক ক্ষতি

তথা হানি হয়।

③ আন্তৰ্জাতিক সমস্যাৰ সৃষ্টি:-

২য় বিশ্বযুদ্ধৰ ফলত বহুতো আন্তৰ্জাতিক সমস্যাৰ সৃষ্টি হৈছিল। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল বিধ্বস্ত অঞ্চলৰ পুনৰ্বাসনৰ সমস্যা, ইউৰোপৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক পুনৰ্গঠন সমস্যা, নাৎসীবাদ উৎখাত সমস্যা, আনৱিক বোমা সম্পৰ্কীয় সমস্যা ইত্যাদি।

④ বিশ্ব ৰাজনীতিত ক্ষমতাৰ ভাৰসাম্যৰ পৰিৱৰ্তন:-

২য় বিশ্বযুদ্ধৰ আগত মিত্ৰৰ ৰাষ্ট্ৰই বিশ্ব ৰাজনীতিত ক্ষমতাৰ ভাৰসাম্য বজাই ৰাখিছিল, তাৰ ভিতৰত উল্লেখযোগ্য হ'ল জাৰ্মানী, ফ্ৰান্স, ইংলেণ্ড, ইটালি আদি ৰাষ্ট্ৰ। কিন্তু বিশ্বযুদ্ধৰ পিছত ৰাছিয়া আৰু আমেৰিকাৰ হাতলৈ এই ক্ষমতা ভাৰসাম্য ৰক্ষা কৰাৰ দায়িত্ব আহি পৰে।

⑤ ইউৰোপীয় ৰাষ্ট্ৰসমূহৰ পুনৰ্গঠন:-

২য় বিশ্বযুদ্ধৰ পিছত জাতি, জাতীয়তা, আঞ্চলিকতাবাদ আদিৰ ভিত্তিত ইউৰোপীয় ৰাষ্ট্ৰসমূহৰ পুনৰ্গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

⑥ এছিয়া আৰু আফ্ৰিকাৰ ওপৰত ২য় বিশ্বযুদ্ধৰ প্ৰভাৱ:-

২য় বিশ্বযুদ্ধই এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ ওপৰত সম্পূৰ্ণ প্ৰভাৱ পেলাইছিল। এই যুদ্ধই এছিয়াৰ বহু ৰাষ্ট্ৰ যেনে- ভাৰত, পাকিস্তান, ব্ৰহ্মদেশ ইত্যাদি দেশসমূহক স্বাধীনতাৰ সোৱাদ দিছিল। বহুতো এছিয়া ৰাষ্ট্ৰৰ পুনৰ্গঠন হৈছিল। চিক

সেইদৰে আফ্ৰিকাৰ বহু দেশ যেনে — ছুডান, লিবিয়া, আলজেৰিয়া আদি ৰাষ্ট্ৰবোৰে স্বাধীনতা লাভ কৰিছিল। বিশ্ব ৰাজনীতিত আফ্ৰিকাবাসী উত্থানো ২য় বিশ্বযুদ্ধৰ ফল।

⑦ সমাজবাদৰ প্ৰভাৱ:-

২য় বিশ্বযুদ্ধই বহু দেশত সমাজবাদ প্ৰতিষ্ঠা হোৱাত সহায় কৰিছিল। চীন, উত্তৰকোৰিয়া আদি ৰাষ্ট্ৰত দ্বিতীয় বিশ্বযুদ্ধৰ পিছতেই সমাজবাদ প্ৰতিষ্ঠা হৈছিল।

⑧ যুদ্ধ, বিশ্ব আৰু আন্তৰ্জাতিকতাবাদী ধাৰণাৰ প্ৰভাৱ:

২য় বিশ্বযুদ্ধৰ পিছত যোগাযোগ ব্যৱস্থাৰ উন্নতি, প্ৰযুক্তি বিদ্যা আদি সমৃদ্ধ প্ৰভাৱ হৈছে। আনফালে যুদ্ধবিধ্বস্ত এটমবোমা, নানা ধৰণৰ বিধ্বংসী অস্ত্ৰ-শস্ত্ৰ আদিয়ে মানুহৰ মনত প্ৰভাৱ সৃষ্টি কৰিছিল। মানৱ জাতি-সমূহ ধ্বংসৰ মুখ নপৰে, সভ্যতা সংস্কৃতি সমূহ বিনষ্ট নহয় তাৰ বাবে লাহে লাহে মানুহৰ মনত যুদ্ধ বিশ্ব আৰু আন্তৰ্জাতিকতাবাদী ধাৰণাৰ বিকাশ হব ধৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে দ্বিতীয় বিশ্বযুদ্ধই বিশ্ব ৰাজনীতিত আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে।

— x —